Mr. Speaker, Sir. before I enter into discussion on the budget, which has been presented before the House, permit me please to offer a salute to the valiant fighters under the leadership of Sheikh Mujibur Reahman of Bangla Desh· for freedom from oppression and exploitation. They are our brethren in Bangla Desh, who are shedding their blood, sacrificing their lives not only for their own freedom but for the freedom from exploitation and oppression of the down trodden people of the Bangla Desh. So I pay my respects to the freedom fighters, living and departed. Sir, about 65 years back (nearly) while I was a student of bottom Class, we had an English text poem under the caption "Queen Botesia". I have forgotten most of it, but the opening lines were this : "When the British Warrior Queen leading from the Roman Roads sought upon indignant the counsel . ...got". There is a pragmatic sentence which is reading in my mind for the years even now today at the moment I remember. Rome shall vanish from the world ......... it has killed. That was two thousand years back and one may say today that Yaha Khan is vanishing the people of Bangla Desh with bloods today. Sir, I do not find adequate words to condemn the action of Yaha Khan for the use of Army, Navy, and Air Force in killing of innocent people of Bangla Desh. But the great powers of aligned Amerika and British, Russia and China cannot observe this from the responsibility of this great killing of human right because they supplied arms to Pakistan inspite of protest from India and elsewhere. ( Voices ) Now, in 1965 there was aggression on India by Pakistan and the arms supplied by Amerika were used against India. Now, Yaha Khan is using mass air-craft and arms and ammunition supplied by these four powers often and on in killing innocent, unarmed people.

Now, these four powers have supplied arms to Paktstan to suppress freedom human rights of the countless million of this Bangla Desh.

Now, Sir, coming to the discussion on the budget one feels like back biting if one is to speak in the absence Hemlet, Finance Minister. We do not feel encouraged to back bite Public duty demands we have to criticise the budget estimates Our friend, the Finance Minister after talking on a lot of subjects has stated at page 37- "As has been shown in the Budget Estimates, the year 1971-72 is expected to close with a minus balance of Rs (—) 43,81.14 lakhs". So, year after year, the Hon'ble Finance Minister, Mr. Tripathy, and this is the fifth budget that he has presented, is putting a budget estimate with deficit of Rs 43,81,14 lakhs at this time. Now, he has shown at page 37- "I am unhappy to present befor this August House a Budget with an overall deficit of Rs (—) 43.81,14 lakhs. But it is inescapable due to the cumulative result of chronic imbalances in the past years, the increased burden of revenue expenditure committed expenditure of the plan and the Capital expenditure due to repayment of Debt. ... etc. etc. "It may please be noted that this is the fifth budget Mr. Tripathy is presenting and in all the budget deficit is mounting one after another. Now, Sir, why should our State have a deficit budget ? Why ? It is a yery pertinent question. Assam is a State which produces almost all the raw-material's that constitute wealth. Assam produces liquid gold, Assam produces coal, Assam produces tea — nearly half of the wolrd out-put. Assam produces foodgrains and cereals, Assam produces cotton and Assam produces in abundance forest product. Till now we have no iron ore. Excepting iron ore a nation which requires all the things that go to make a country rich and powarful, all the things are produced in Assam. We produce liquid gold, I mean petroleum. But here in Assam the nearest place

from the Refinery Gauhati the price of petrol is highest Why the Finance Minister has not done anithing ? We produce crude oil but the sales tax is collected by the Government of Bihar. What has this Government done· I understand the leaders are going to attend A.I. C.C· meetting at Delhi. What is they are bringing by attending the A.I.C.C. meetting for last so many decades? What has been given to us? We have been producing tea and how insignificant portion it is that we get from the Centre in the from of our share as tax. In spite of my putting repeated question and writing letters to the Finance Minister I have not yet been able to get the figure how much the Centre gets from Assam and how much Assam gets from the Centre. They have not given a clear figure If proper calculation is made as to what is the total amount of revenue that the Centre derives from Assam and what is the amount the State of Assam gets from the Centre, in every form it will be found that the Centre derives double than what Assam gets back from the Centre and there-by the State is impoverished to that extent. Now Sir, in this book we find a number of things. But these last two pages - 38,39 and 40, if I did not know the excellent habits of my friend Shri K.P. Tripathi I will be inclined to believe that few last paragraphs at pages 37,38 and 39 wore probably written under the influence of 'Marijuana'. He has brought in the election success, cricket in West Indies and from there to South East Asa's problem. Let me quote a few sentences from him. ( Shri J.B, Hagjer : Are you not back-biting ? ) I am not back-biting. If I would not have known the habits and temperament of my friend Shri Tripathi I would have believed that only 'Marijuana' can make this. I am only inviting your attention to page 38. He writes "Honourable Members will appreciate the financial position of the State has been difficult and will continue to be difficult for some time. The period from 1967 to

date has been a period of political instability for the north-eastern region arising out of various causes of which political violence has been one "Mr. Speaker, Sir, what has been the political violence in our State? While presenting the budget why should he go to quote Bengal and other places? What connection it has with our budget? He goes on saying "This has led to stagnation in industrial development and commerce and flight of capital from the eastern region including Assam. Luckily for us and at one stroke this picture has been reversed by the astounding victory of the Congress political party in the Parliamentary Elections." What it has reversed? We wanted a majority in the Centre so that there will be stable Government. But how it has effected our Finance in our State? Then "it has had the ef act of rejuvinating the Congress Political party restoring political stability, and removing the fear of continued violence." What is the violence and the stagnation to our present budget estimates? Am I far from right, am I wrong to say that these sentences could be written only under the influence ot Marijuana? (Shri Biswadev Sarma: it is about other States) I was nearly forgetting. In the State is a very commendable stability. When there were floor-crossing in other States, there was nothing of that sort here, Although some wanted to subvert the party from inside. It will be height of ingratitude to say that there was no political stability. Even the late lamented Chief Minister had to retire for ill health. The party elected the leader unanimously. One can very justifiably as my friend what business these people who have been returned and the leaders to bow down before the deities in Delhi What they would get in return? By this we have weakened our knes joints. That is why there is no political instability in our party. (Voice: he means the party). The young Industry Minister's interpolitions reminds me another poem :" Blow, blow thou not cold wind; Thou art no so unkind as man's ingratitude".

These Ministers enjoy aboslute support and they turn down and sav there is political instability. Can there be a greater ingratititude than this ?

Now, he again comes to marijuana ! "It has had the effect of rejuvinating the Congress Political party, restoring political stability, and removing the fear of continued violence. 'Now we can look forward to the wave of stability gradually extending to all State Governments and areas in the near future.

"This should have the effect of creating the climate of confidence for industrial and commercial growth and agricultural wel -being". What this aims is factory."

"Already", Sir, Please mind what I am reading. I beg of you, "Al eady this optimism has spread giving new psychological strength to the nation of which the victory of Indian Cricket Team against the West Indies, who are cricke, giants, is an example".

What connection has the victory of the Cricket team got here ? We are all proud when our sportsmen earn victories elsewhere. There is no Indian who does not feel proud when our players in the Olympic secure gold or silver or even bronze medal. But has this any connection with this Budget Speech of our Finance Minister ? Let me repeat again, "Already this optimism has spread giving new psychological strength to the nation of which the victory of Indian Cricket Team against the West Indies, who are cricket giants, is an example".

Now, we will go to South East Asia. I will take you to South East Asia along with our Finance Minister. "It is but meet and proper that this revolutionary change has come over through the Indian technique of non-violent non

cooperation rather than imported technique of violent revolution and it should have a steadying effect on the political life of the Indian Subcontinent So, my friend Mr. Tripathy has not confined only to Bangla Desh, he has not confined only to Cricket match in West Indies but he has travelled right upto South East Asia. (in Sanskrit) But his own people who are feeding him without any stint are to-day staggering under high prices. Incidentally, I have always found Minister of Supply quite sympathetic and reasonable but once today I have found him a little callous when he said that the Chief Minister the other day said that prices are not abnormally high. When the Government will consider prices abnormally high may I ask ? That the price is high is being admitted but the excuses under which he is taking shelter that it is not abnormally high

Shri Ramash Chandra Barooah (Minister Supply) : I said that in comparison to prices obtaining in other States our prices are not so high.

Shri Debeswar Sarmah : It is a statement which honestly I did not expect from Shri Ramesh Chandra Barooah, knowing him as I do since his childhood. Unfortunately he mated with callous, highbrowed and hard politicians, therefore he has today said that price is not abnormally high. But price is abnormally high for our poor people and therefore, I suggested that some means should be formulated in consultatation with the leaders of opposition so the price can be stabilised. It is not that price can be stabilised by a magic wind, it is a long drawn procedure and that is why I asked for it. Now, Sir, on the one hand, positively our resources have not been exploited, on the other hand, negatively, we are trying to do best for the State but as the Hon'ble Finance Minister has done his best to rehabilitate the finances of the State, I would like to say, positively not. Why do I say

so ? I must give reasons for saying so. At page 31 of the Budget Speech in the second para he says, "The position in respect of collection of Arrears of Taxes still remains disquieting. The total arrears of sales tax as on 31st March, 1970 was Rs. 2,13,51,136 and those of othe taxes was Rs. 5,40,34,268 out of these arrears, an amount of Rs. 1,94,49,403 is involved in appeals, etc. and an amount of Rs. 1,27,05,610 is involved in Bakijai proceedings. Bakijai, a huge amount is in the hands of Bakijai May I ask, why he has given 1% rebate if he was so much in arrears ? Now, not only the Minister, Finance has made no effort to augment the finances of this State positively, but negatively he is giving away money, which the Government could utilise, to rich people by way of patronage. Why do I say so ? I would invite your attention to the Gazette Notification of 25th June 1969. This is notification No. FTX.62/68/69. "In exercise of the powers conferred by Section 39 of the Assam Finance ( Sales Tax ) Act, 1956 ( Assam Act XI of 1956 ), the Governor of Assam, after previous publication and consideration of the objections and suggestion, is pleased to finalise the Assam Finance (Sales Tax) (Amendment) Rules as follows. I want to know who made the objections and gave the suggestions ? Now, the amendment of the rule is as follows : Under this rule, the amendment of rule 17 clause 2, sub-clause 2, "A dealer may make a declaration in Form IV-A and produce the challan therewith showing the deposit of tax due by him whereupon such dealer may be entitled to a rebate of one percentum of the tax deposited. Such rebate may be adjusted by deduction from the tax due by a dealer." why did he give 1% ? How have we gained by giving 1%. It has caused more injuries.

Now, rule 464 (i) : "A dealer paying tax on the perchase of raw materials for manufacture of goods for sale shall be granted a draw back, set off or a refund of the amount of tax so paid subject to the condition that the

Commissioner is satisfied that the raw materials have actually been used within the State of Assam in the manufacture of the goods for sale."

I am afraid, the Hon'ble Members have not been able to follow the implications of this amendment.

By this amendment, the Finance Minister gave away or is giving away lakhs of rupees to the capitalist concerns which used raw-materials in Assam, for example, the Plywood Factory. The Plywood Factory got rebate or draw back by this amendment. They have denuded the forests for timber. They cut logs for their Venier Mills, processing Plywood Factory and other things. By depot transfer,—they have their Head Office in Calcutta—they transfer them to Calcutta. Thus, they deprive Assam from sales-tax and at the same time, my dear friend Shri Tripathy is bleeding for them. He gave rebate to them. Now effect of this is to release capital to the middle sized industries which purchases raw materials in Assam. Inspite of my putting the question almost during last three sessions, Mr. Speakear, I have not got the reply to this. Because the reply is Golmalia. He cannot give. He can give reply to the owners of plywood Factory and other things who draw raw-materals from Assam. Why can you not believe that it has given retrospective effect ? This amendment came into force since 1960. That is how through the good offices of the honourable Finance Minister, the State of Assam is robbed of its right dues.

Now, Sir, there is another means or channal through which Assam's good amount of money has gone to the capitalists or so-called industrialists, because they come here to borrow money from the goverment of Assam and Government of Assam purchase shares. They start some industries, steal away some money and run away. Now, out of 11

public sector commercial and trading activities, six of them did not submit their accounts. I am reading from the Audit Report, 1970

"At the end of 1968-69, there were three Satutary Corporation / Boards in the State—(1) The Assam Financial Corporotion (2) The Assam Warehousing Corporation and (3) The Assam State Electricity Board."

The Assam Financial Corporation is the only institute which has paid some dividend. Save and except that all other eleven Companies were running at a loss. We all know when the Finance Minister was in charge of Industries, how Rs. 67 crores went through the finger of the Govt. of Assam—the annual interest of which comes to about one and a half crore of ruppes. For six continuous years, statutary returns were not placed in the House. If in any other State, had the Minister of Industries done this he would have been compelled to resign. It it no explanation why the statutory returns were not plaeed before the House Now he dares to men. to men The State Electricity Board is in a state of bankruptcy. At page 58, I am reading "Government Companies"—"On the 31st March 1969, there were eleven Government Companies in the state. Of these the accounts of five Companies viz. Assam Govt. Marketing Corporation Ltd. Assam State Mineral Development Corporation Ltd, Assam Seeds Corporation and Assam Gas Company Ltd. for 1968-69 have not been included in this compilation owing to non-submission of the same in time." All these Companies are running at a loss. How can we finance all these Boards of the State? Only to help the capitalists, overnight Corporations are created. How and when Government formulated the policy I do not know. Consent of this House has never been taken for these Corporations. Corporations have one advantage, because they have not to submit their detailed accounts, as a result, the Government finance is being depleted. How many crores of rupees

are invested by way of purchasing shares and by way of loan, we do not know till now. Our questions are submitted, but replies are not given in time. Thus, we have resources, but we do not get mony. On one hand the Finance Minister has brought all sorts of Corporations and Companies, gave them mony and subscribed all their capital, but all of them are running at a loss. How can this happen ?

At the last paragraph that I am dealing with is against the nationalisation of banks. Sir, the statement made in the Budget Speech, at page 40, is so illusive and vague that nobody can understand it. Mr. Tripathy has not given any clear idea. He has given only ganerilasion of bank nationalisation. Here, he said—"One of the reasons why Govt. nationalised the banks was that the age of expanding Goverment jobs was coming to an end and the age of self-employment was beginning. As all employment needs investment capital, it was necessary to throw open bank resources to the common men, the small enterprenuer, the agriculturists, the small businessmen and so on."

Sir, can there be any more astounding statement of our Finance Minister than this ? He has given a misleading and misguiding statement. That "the age of expanding government jobs was coming to an end"—agreed, that "the age of self-employment was beginning" that is also agreed. "As all employment needs investment capital it was necessary to throw open bank rescurces to the common man" how can we agree to that. Is not the statement misleading ? Banks afterall are constituted with somebody's money, How can the bank resources be thrown open ? Is it not funny ? If the bank money is thrown to sundry debtors, small scale industries and others like Jatias, then people will stop depositing their money in the banks and the economy of the State will suffer. I have said at least three times in the floor of this House that our people will not get money

without security. Unless and until there is a security to offer, how can he get money ? Therefore, this is a canard which is thrown to the people only to mislead them. Unless some sort of shemes for furnishing the security is evolved, people will not get loan from the banks. Our Finance Minister was for long years Minister-in-charge of Industries and now he is the Minister of Labour and Employment, if he did somethir many youngmen could have got employment.

I am afraid whether anybody has gone through it. He has stated.......( Mr. Speaker rang the bell ) Just one word Mr. Speaker. I am saying about the vagaries of the statement made. The Dibrugarh University is throwing money to the waters of Brahmaputra which is flowing through the Dibrugarh town. Who takes care of it ?

The Vice-Chancellor behaves like a Jabardast dictator This university was science oriented but all the arts subjects have been opened and technical subjects have not received adequate attention. Now, Sir French is going to be taught there because there is a french lady in the campus. She is to be provided somewhere. Her husband was already provided. Sir. I am to point out only one paragraph where the hon. Minister has stated that the recommendations of the Employment Review Committee has been given effect to. But he has not stated what recommendations have been given effect to. I am reading from page 20. "In the 1969 Budget Session of Assembly a Committee was set up under the Chairmanship of Shrimati Puspalata Das, M.L.A., to review the position of the employment of the people of this State in public and private sector industries and undertakings from time to time The Committee in its first report recommended certain measures for employment of local people. Some of the recommendations of the Committee have already been implemented and the others are under consideration of the Govt. The Govt. have issued instruc-

tions to all the major establishments and industries for employment of local p:ople in their establishment/industr es. It is expected that the employment of local peoplw will improve due to the step so far taken by the Govt. "He has not stared what are the recommendations that have been implemented I charge him for making a misstatement. He has not raised his little finger for Assamese youngman ( Mr. Speaker rang the bell again ) What do you think we are herefor Mr. Speaker ?

Mr. Speaker : I have given you 30 minutes already.

Shri Debeswar Sarmah : Could you tell me that I have wasted a moment for n thing. If I am not here for criticising the financial vagaries then what for we are here and getting 20 rupees a day. You have granted leave to the Finance Minister to be absent from the house. I finish here and now.

Shri Jalaluddin Ahmed : –মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় বিত্ত মন্ত্ৰীৰ বাজেট পঢ়ি চালো আৰু ইয়াত দেখিলো যে ৪৩ কোটি ৮১ লাখ টকাৰ ঘাটি পৰিছে। আমাৰ অসমত ১৩ জন এম, পি আছে আৰু কেৰেলাত ১৯ জন এম পি আছে। অথচ কেৰেলাৰ ঘাটি মাত্ৰ ১৬ কোটি টকা। আমাৰ ৰাজ্যৰ ইমানবিলাক ঘাটি দেখি আমি দুখ পাইছো। কেন্দ্ৰীয় চৰকাৰৰ পৰা আমি ১৮২ কোটি ৮০ লাখ টকা চতুৰ্থ পাঁচ বছৰীয়া পৰিকল্পনাৰ কাৰণে পাইছো। মেঘালয় গৱৰ্ণমেণ্টৰ বাদে এই ১৮২ কোটি ৮০ লাখ টকা ১ কোটি ২০ লাখ মানুহৰ মাজত ভাগ কৰিলে লাখ প্ৰতি মানুহৰ পৰে ১ কোটি ৫২ লাখ ৫০ হাজাৰ টকা। আমি অসমৰ ভিতৰত দেখিছো Minority Community, মুছলমান সম্প্ৰদায়ৰ ৩০ লক্ষ মানুহ। ইয়াৰ ভিতৰত প্ৰায় ৫ লক্ষ মানুহ ব্ৰহ্মপুত্ৰ মাজুলী আৰু অন্যান্য দ্বীপ এলেকাত বাস কৰে। এই দ্বীপকেইটা আৰম্ভ হৈছে বিশেষকৈ হাতীমুৰা পাহাৰৰ পৰা পাকিস্তানৰ বৰ্ডাৰ পৰ্য্যন্ত। প্ৰায় ৫ লাখ মানুহ এই এলেকাত বাস কৰে। এই লোকসকলৰ বাবে চৰকাৰৰ তৰফৰ পৰা কোনো P.W.D. ৰাস্তা কোনো E & D ৰ বান্ধ জলসিঞ্চনৰ ব্যৱস্থা, কোনো ঋণ দানৰ ব্যৱস্থা, বিজুলী শক্তিৰ ব্যৱস্থা,

কুটিৰ শিল্পৰ ব্যৱস্থা আৰু জনস্বাস্থ্যৰ ব্যৱস্থা কোনো কাম এই এলেকাত কৰা হোৱা নাই। এই অঞ্চলৰ মানুহবিলাকে অৰ্থনৈতিক সংকটত পৰি গৈছে। স্বাধীন দেশৰ কোনো এলেকাসমূহত যদি উন্নয়মূলক কাম নহয়—তেন্তে সেই অঞ্চলৰ মানুহৰ ওপৰত অৰ্থনৈতিক চাপ পৰে। মোৰ বাঘবৰ সমষ্টিৰ ১ লাখ ৩০ হাজাৰ মানুহৰ ভিতৰত প্ৰায় ৮০ হাজাৰ মানুহ চৰ এলেকা অৰ্থাৎ দ্বীপত বাস কৰে। যেনে :—আলুপাটৰ চৰ, বাঘমৰা চৰ, কদমতলি চৰ, চৰ সিমানাৰ চৰ, উত্তৰিৰ চৰ আৰু মৌখাৱাৰ চৰ ইত্যাদি দ্বীপত বাস কৰিছে এই লোকসকলৰ বাবে চৰকাৰে যোৱা ২৩ বছৰত কোনো ৰকমৰ উন্নয়নমূলক ব্যৱস্থা হাতত লোৱা নাই। আমাৰ প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে Manifesto ত কৈছে দৰিদ্ৰতা দূৰীকৰণ কৰিব লাগে, নিবনুৱা সমস্যা সমাধান কৰিব লাগে, ভূমিহীন মানুহক ভূমি বিতৰণ কৰিব লাগে, বেংকবিলাক ৰাষ্ট্ৰীয়কৰণ কৰিব লাগে, ৰাজন্যবৰ্গৰ ভাট্টা উঠাই দিব লাগে। আজ আমি দেখিছো বেংক ৰাষ্ট্ৰীয়কৰণ কৰা হৈছে কিন্তু আমাৰ চৰবিলাকত থকা মানুহৰ কোনো উপকাৰত নাহিব। ইয়াৰ মানুহবিলাকে যি মাটি দখল কৰি আছে সেইবিলাক একচনিয়া মাটি ম্যাদি পট্টা হোৱা নাই। আজি শদিয়াৰ পৰা কাথিয়াৱাৰ দ্বীপলৈ, লাদাখৰ পৰা কুমাৰীকা অন্তৰীপলৈ কংগ্ৰেছ Ruling ত জয়যুক্ত হৈছে। কেৱল বেংক ৰাষ্ট্ৰী কৰণৰ কথাকৈ। অথচ চৰত বাস কৰা ৫ লখ মানুহৰ ৪ পইচাও উপকাৰত অহা নাই। এই চৰ এলেকাত থকা মানুহবিলাকৰ উন্নতিৰ কাৰণে কোনো বিকল্প ব্যৱস্থা চৰকাৰে হাতত লোৱা নাই। আমাৰ উদ্যোগ মন্ত্ৰীৰ সমষ্টিত যদি কোনো এটা মথাউৰি ১৪ লাখ টকা যদি কৰা হয় তেতিয়া তেখেতৰ সমষ্টিত থকা মানুহবিলাকে ঠিকা পাব আৰু কাম কৰিব। আৰু অৰ্থ-নৈতিক ক্ষেত্ৰত তেওঁৰ এলেকাৰ মানুহবিলাকৰ অৰ্থনৈতিক কাঠামুৰ গঢ়ি উঠিব। কিন্তু মোৰ চৰ এলেকাত যদি কোনো উন্নয়নমূলক কাম নহয় তেতিয়া হলে অৰ্থনৈতিক ফালৰ পৰা কষ্ট ভোগ কৰিব। আৰু চৰ এলেকাৰ মানুহ অৰ্থনীতিত পিচপৰি থাকিব। আমাৰ উদ্যোগ মন্ত্ৰীৰ এলেকাৰ মানুহে ৩০ টকা গজৰ কাপোৰ পিন্ধিব কিন্তু চৰ এলেকাৰ মানুহে ৩ টকাৰ কাপোৰ পিন্ধিব নোৱাৰিব কিয়নো তেওঁলোকৰ টকা খোৱাৰ কোনো বাট নাই। যোৱা ২৩ বছৰত চৰকাৰৰ তৰফৰ পৰা এই দ্বীপবিলাকত উন্নতিৰ কোনো বিকল্প ব্যৱস্থা কৰা নাই। এই সম্পৰ্কে মই চৰকাৰক কেইটামান পৰামৰ্শ আগবঢ়াব খুজিছো। যিহেতু চৰ

এলেকাত সাধাৰণতে লতা জাতীয় গছ আৰু তৃন জাতীয় ঘাঁহ হয় গতিকে এই এলেকা সমূহত ভেৰা ছাগলী আদি পুহিবৰ কাৰণে কিছুমান ফাৰ্ম খুলি দিব লাগে।

Shri Biswadev Sarmah : বান পানীত পানী উঠেনে নাই ?

Shri Jalaluddin Ahmed :—হয়, এক হাত মান পানী কোনো কোনো ঠাইত উঠে।

আমি জনাত এই চৰ এলেকাত যথেষ্ট পৰিমাণৰ কহিয়াৰ খেতি হয়। গতিকে চৰকাৰৰ তৰফৰ পৰা কুহিয়াৰৰ ভাল বিধান আদিৰ ব্যৱস্থা কৰিব লাগে। আৰু হাতে কুহিয়াৰ চেপিবৰ কাৰণে চৰকাৰৰ তৰফৰ পৰা চচাইটিৰ যোগেদি কুহিয়াৰ চেপা কলৰ ব্যৱস্থা কৰিব লাগে।

( সময়ৰ সংকেট )

এই চৰ এলেকাবিলাকত সাধাৰণতে বাৰিষাৰ দিনত নাওঁ চলাচল হয়। গতিকে চৰকাৰৰ তৰফৰ পৰা ৫০০/৬০০ মোণ কঢ়িয়াই নিব পৰা নাওঁ দিয়াৰ ব্যৱস্থা কৰিব আৰু নাওঁ প্ৰতি ১০/১৫ হাজাৰ টকালৈ মূলধন দিব লাগে বেহা-বেপাৰৰ কাৰণে।

চৰ এলেকাবিলাকত সাধাৰণতে বাৰিষাৰ দিনত মানুহে মাছ মাৰি জীৱিকা নিৰ্ব্বাহ কৰে। গতিকে এই এলেকাবিলাকত ইলিচ, ৰৌ মাছ আদি ধৰিব পৰা কিছুমান ফাচী জাল তৈয়াৰ কৰাৰ ব্যৱস্থা কৰিব লাগে। এই জাল ১½ মাইল দীঘল আৰু উচ্চ ২০ হাত। ইয়াক তৈয়াৰ কৰিবলৈ ৫০ ৰ পৰা ৭০ হাজাৰলৈ টকা খৰছ পৰে। ইয়াৰ কাৰণে নাইলন সূতা দৰ্কাৰ যাৰ দাম কি লাগ্ৰাম প্ৰতি ৬০ টকাৰ পৰা ৭০ টকালৈ। এই জাল বিলাকৰ কাৰণে চৰকাৰৰ তৰফৰ পৰা সাহায্য পালে জাল তৈয়াৰ কৰি লাভবান হৈ অলপ দিনৰ ভিতৰত চৰকাৰৰ ঋণ পৰিশোধ কৰি নিজৰো অৱস্থাৰ পৰিবৰ্ত্তন কৰিব পাৰিব। এই ধৰণে কিছুমান আঁচনি ললে চৰ এলেকাৰ ৫ লক্ষ মানুহৰ জীৱিকা নিৰ্ব্বাহত কিছু সহায় হব।

Shri Sailen Medhi :—মাননীয় অধ্যক্ষ মহোদয়, শাসনত অধিষ্ঠিত দলে মধ্যকালীন নিৰ্ব্বাচনত অভূতপূৰ্ব সফলতা লাভ কৰি পোৱাৰ পিচত আৰু সমাজবাদীৰ

তোলাৰ পিছত আমাৰ বিত্তমন্ত্ৰী মহোদয়ে আয় ব্যয়ৰ যিখন খচৰা ডাঙি ধৰিছে তাত বিকল্প এটা ব্যৱস্থাৰ যি আশা কৰিছিলো আমি দুখিতঃ যে তেনে কোনো সগাৰিৰ ইঙ্গিত নেদেখিলো। ইংৰাজীত এটা কথা আছে যে পুৰণা বস্তুক সজাই পৰাই নতুন কৰা। আমাৰ বিত্তমন্ত্ৰী মহোদয়ৰ বাজেট বক্তৃতাও Old wine in the new bottle টো বেলেগেই Old wine in the old bottle হে হৈছে। আমি আজি ৪ বছৰে বিত্তমন্ত্ৰীৰ বাজেট বক্তৃতাত কোনো নতুনত্ব নেদেখিলো।

অধ্যক্ষ মহোদয়, যোৱা বছৰত আমাৰ ৰাজহ আছিল ১০৭,৮৭,১৪ টকা আৰু এই বছৰত ১,১৪,৩৫,৭৩। ইয়াৰ পৰা বুজিব লাগিব যে ৰাজহৰ কিৰা উন্নতি হৈছে বা ভৱিষ্যতে হোৱাৰ আশা আছে। হয় টেক্স লগাই নহয় কিবা নতুন ব্যৱস্থাৰে এই টকা উলিয়াব লাগিব। বিত্তমন্ত্ৰী মহোদয় বাজেট বক্তৃতাত ৰাজহ বঢ়াব খোজা বা নতুন কোনো টেক্স লগোৱা হোৱা নাই আৰু সেই বাবে আনন্দিত হৈছো। আনহাতে ৰাজহৰ ক্ষেত্ৰত আয় মূলধন আয়তকৈ বাঢ়িছে। গতিকে দেখা যায় মূলধন আয়ৰ ভাৰসাম্য বেছি হৰ। মূলধন আয়ৰ ক্ষেত্ৰত যোৱা বছৰৰ ১,১৯,২৯,১০ টকাৰ ঠাইত এই বছৰ ১,১৭,৯১,১৭ হাজাৰ টকালৈ হ্ৰাস পাইছে। আমাৰ বিত্তমন্ত্ৰীয়ে ৰাজহৰ ক্ষেত্ৰত ৭ কোটি টকা বেছি আদায় দেখুৱাইছে। এই ৭ কোটি টকা কেনেকৈ আহিব? যিহেতু আমাৰ নতুন টেক্স লগোৱা নহয়, পুৰণা অনাদায়ী টেক্স আদায়ৰ কিবা ব্যৱস্থা কৰিছে নে আইন কানুন কিবা সংশোধন কৰি নতুন কিবা পথ উলিয়াইছে বাজেট বক্তৃতাত তাৰ কোনো উল্লেখ নাই। গতিকে দেখা যায় কোনো পৰিবৰ্ত্তন আমাৰ পৰিলক্ষিত নহয়। ৩১/৩/৭১ তাৰিখলৈকে দেখিছো ৭½ কোটিৰো অধিক টকা অনাদায় হৈ পৰি আছে। এই অনাদায় টকাখিনি যি ধৰণে আদায় কৰিব তাৰ কোনো পথ বিত্তমন্ত্ৰী মহোদয়ে দেখুৱা নাই। মাননীয় সদস্য শৰ্মা ডাঙৰীয়াই ইতিমধ্যে কৈ গৈছে যে বহুতো পুজিপতি সকলক কৰ ৰেহাই দিব লগীয়া হৈছে।

অধ্যক্ষ মহোদয়, আমাৰ ঋণ আদায়ৰ ক্ষেত্ৰত যোৱা বছৰৰ ৩,৮১,৫৮,৪৪৭ টকা আছে। আমি যিবিলাক Loan দিছিলো—Industrial Loan এই হওক বা অন্যান্য ধাৰ হিচাবেই হওক—এই ধাৰ আদায় কৰাৰ ব্যৱস্থা আজিলৈকে কৰিব পৰা নাই। তাৰ কাৰণে নতুনকৈ যি বিলাক আইন কানুন ৰচনা কৰিব লাগিছিল সেই বিলাক নীতি-নিয়ম এতিয়ালৈকে বিত্ত মন্ত্ৰীৰ বাজেটত আমি দেখা পোৱা নাই।

চৰকাৰৰ মিতব্যয়ীতাৰ ক্ষেত্ৰত নতুনকৈ কোৱাৰ প্ৰয়োজন নাই। বছৰি বছৰি Audit Report ৰ বিষয়ে মাননীয় সদস্য শ্ৰীতুলাল বৰুৱা আৰু শ্ৰীশৰ্মা ডাঙৰীয়াই পঢ়ি শুনাইছে। এই Audit Report ত অভিযোগ আহিছে যে লাখ লাখ—কোটি কোটি টকা অপচয় হৈছে, কিন্তু তাক ৰোধ কৰাৰ কাৰণে চৰকাৰে কোনো ব্যৱস্থা এতিয়ালৈকে দেখুৱাব পৰা নাই। Tax আদায়ৰ ক্ষেত্ৰতো দেখা যায় যে কিছুমান চিনেমাত Tax Free কৰি দিয়া হয়। অধ্যক্ষ মহোদয় আপুনি জানে যে অলপতে গুৱাহাটীলৈ এটা Cuircus আহিছিল। Tax Deptt. ৰ নিয়ম মতে শতকৰা ৪০ ভাগ Tax আদায় কৰিলে ১০,৬০,০০০·০০ টকা পালোহেঁতেন; কিন্তু বিত্তমন্ত্ৰী ডাঙৰীয়াই শ্বিলঙৰ পৰা বিষয়াসকল শতকৰা ১২½ ভাগ আদায় কৰিবলৈ হুকুম দিলে। ফলত অসম চৰকাৰৰ ১০,৬০,০০০·০০ টকা লোকচান কৰিবলগীয়া হল। তেনেকৈয়ে বহুত ক্ষেত্ৰত চৰকাৰৰ গাফিলতীৰ কাৰণে বহুতো Tax আমাৰ লাঘৱ হৈছে আৰু ৰাজহৰ ক্ষেত্ৰত আয় কমি গৈছে। এই ঘাটি পূৰণ কৰিবৰ কাৰণে চৰকাৰে কোনো ব্যৱস্থা কৰিব পৰা নাই।

সংবিধান মতে আমি জানো যে যিবিলাক Central Tax Residuary Power মতে এই বিলাক আদায় কৰাৰ ব্যৱস্থা সংবিধানত আছে আৰু ২৬৯-৭০ অনুচ্ছেদ মতে আমি Tax ৰ ভাগ কম পাইছো। এই ক্ষেত্ৰত Tea-auction ৰ কথা বিত্তমন্ত্ৰী ডাঙৰীয়াৰ বাজেট ভাষণ আৰু ৰাজ্যপালৰ ভাষণতো বাৰে বাৰে উল্লেখ কৰি আহিছে। কিন্তু আচৰিত কথা যে Tea-auction ৰ ক্ষেত্ৰত অসম চৰকাৰৰ ৰাজহ বঢ়া নাই। আমি আশা কৰিছিলো। অন্ততঃ ৰাজহ নাবাঢ়িলেও নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত বহুখিনি আগবাঢ়িব পৰা হব। কিন্তু Tea-auction ৰ ক্ষেত্ৰত কলিকতাৰ পৰা Broker আমাৰ ইয়ালৈ আহিল আৰু তেওঁলোকে Sale-Tax দিব নালাগে। এই কালৰ পৰা এই বাহিৰৰ Broker বিলাকক ৰেহাই দিয়া হল। কিন্তু আনহাতেদি আমাৰ ব্যৱসায়ী সকলে Tax ভৰিলে। গতিকে আমি যদি বিচাৰ কৰি চাওঁ তেন্তে দেখিম যে Central excise duty ৰ যিটো অংশ সংবিধানৰ ২৬৯-৭০ অনুচ্ছেদ মতে পাব লাগিছিল সেই অংশটো আমি হেৰুৱাইছো। কলিকতাৰ পৰা Boaker আহি Sale Tax বজাৰ কিনি লয় আৰু আমি লোকচান ভৰিছো। এইটো হিচাপ কৰিলে দেখা যাব যে লাখ লাখ টকা আমি হেৰুৱাইছো। বৰঞ্চ আমাৰ ইয়াত চাহ পাত প্ৰত্যেক ঘৰৰ কাৰণেই এটা খাদ্য বস্তু; কিন্তু এই চাহপাতৰ মূল্য আগতকৈ

বাঢ়ি আহিছে। গতিকে আমাৰ নিৱনুৱা সমস্যা কোনোমতেই সমাধান হোৱা নাই আৰু আন ফালে আমাৰ ব্যৱসায়ী সকলে Tax ভৰিছে আৰু বাহিৰৰ ব্যৱসায়ী সকলে Sale Tax ৰ পৰা বেহাই পাইছে।

আমাৰ সংবিধানত নীতি নিয়ম থকা স্বত্তেও আমি লোকচান ভৰিছো। সংৰিধানৰ ২৭৫ ধাৰামতে কেন্দ্ৰৰ পৰা যিটো অনুদান পাওঁ সেইটো আজি ভাৰসাম্যভাবে বিতৰণ নোহোৱাৰ কাৰণে বিভিন্ন জনজাতি অঞ্চলৰ বাইজে দুৰ্ভোগ ভোগ কৰিব লগা হৈছে, তেওঁলোকৰ পানীত হাহ নচৰা অৱস্থা হৈছে। অধ্যক্ষ মহোদয় ২৮২ অনুচ্ছেদ মতে সাহাৰ্য্যৰ কথা পৰিকল্পনা আয়োগে পঞ্চবাৰ্ষিক পৰিকল্পনাত যিখিনি সাহায্য আগবঢ়ায় সেইখিনিৰ দ্বাৰা অসমৰ পিছ পৰি থকা অঞ্চল বিশেষ উপকৃত নহব।

অসমক Backward State বুলি ধৰা হয় আৰু এই Resolution ও লৈছে। চতুৰ্থ পৰিকল্পনাৰ কালছোৱাত পৰিকল্পনা আয়োগে যিটো বৰাদ্ধ কৰিলে এই টকা বৰাদ্ধ কৰাৰ আগতে আমাক Backward State বুলি ধৰা নাছিল। এইদৰে হলে পৰিকল্পনা আয়োগে আগধন আগবঢ়োৱাৰ ক্ষেত্ৰত সুবিধা নাপাৰ। আমাৰ ৰাজহৰ আয় কম কৰি ধৰা হৈছে আৰু বিজুলীশক্তিৰ ৰাজহ আয় কেন্দ্ৰীয় চৰকাৰে Plane ত ধৰিছে। যোৱা বছৰো ১২ কোটি টকা ধৰিছিল। ১৯৬৯ চনত Reserve Bank ৰ ধাৰ মাৰিব লগীয়া হৈছে ৪৮ কোটি টকা আৰু যোৱা বছৰ ১৯৭০ চনৰ জুলাই মাহৰ আগতে ৮ কোটি টকা Special accommodation ত ধৰা হৈছে।

বান্ননিয়ন্ত্ৰণৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰৰ কমিচনাৰ বাবে ৭ কোটি টকা ধাৰ হিচাবে দিয়া হৈছে। ১৯৭০ চনৰ ৩১ মাৰ্চৰ আগত ২৭ কোটি টকা ধাৰ সুধাবলগীয়া আছে। যদি বিত্তমন্ত্ৰী ডাঙৰীয়াই এই ধাৰ লয় তেন্তে আমি সেই ধাৰ পৰিশোধ কৰিব নোৱাৰো আৰু Reserve Bank ও আমাক ধাৰলৈ নিদিব। আনফালে আমাৰ Capital Receipt কম দেখুৱা হৈছে। Capital Receipt কম পোৱাত খাজনাৰ আয় বঢ়োৱাৰ কোনো ব্যৱস্থা নাই। গতিকে এইখন প্ৰগতিশীল বাজেট হব নোৱাৰে এইখন Bankrupt বাজেট।

চতুৰ্থ পৰিকল্পনাৰ কালছোৱাত অসমৰ ক্ষেত্ৰত ভাৰতৰ অন্যান্য ৰাজ্যৰ লগত সামঞ্জস্য আছে। প্ৰথমতে আমি চাব লাগিব আমাৰ শিল্পোন্নতি কেনে হৈছে,

দ্বিতীয়তে জনে প্ৰতি বিজুলী শক্তি কিমান ব্যৱহাৰ কৰিছে, তৃতীয়তে ৰাস্তা-ঘাট, যান-বাহন আৰু কাৰিকৰী শিক্ষাত কিমান আগবাঢ়িছে ? এইটো আমি হিচাব কৰি দেখিছো যে অসম ৰাজ্যখন সকলোতে পিছপৰা। এতিয়া সৰ্ব্ব-ভাৰতীয় Instolling Capacity ১৫২০০০ হেজাৰ ২০০ শ K.W. Per hour, কিন্তু আমাৰ অসমত ব্যৱহাৰ কৰা হৈছে ১·৫০ ভাগ।

আমাৰ অসম এখন কৃষি প্ৰধান দেশ। কৃষি উন্নয়ন কৰিবলৈ Electricity প্ৰয়োগ কৰিব লাগিব। আমি দেখিছো সৰ্ব্বমুঠ Electricity produce হয় ২৩ কোটি ৬০ লাখ KW/-P.H. কিন্তু কৃষি মুঠতে ৩৫৭ হেজাৰ KW/-P.H. ব্যৱহাৰ কৰা হয়। তাৰ ভিতৰত অসমৰ উদ্যোগত ব্যৱহাৰ হৈছে ৫৩ ভাগ ; কিন্তু অন্যান্য ৰাজ্যত ৭৫ ভাগ ব্যৱহাৰ হৈছে আমাৰ জাতীয় আয় শতকৰা ৬৬ ভাগ কৃষিৰ পৰা আহে ; কিন্তু অসমত মাত্ৰ ২ কিলো আৰু অন্যান্য ৰাজ্যত উৎপন্ন হয় ১০ পৰা ২৩ কিলো। সৰ্ব্বভাৰতীয় তুলনাত আমাৰ উৎপন্ন তেনেই কম। বিত্তমন্ত্ৰী ডাঙৰীয়াই একেটা কথাকে বাৰে বাৰে দোহাৰিছে যে বানপানীয়ে আমাৰ সৰ্ব্বনাশ কৰি পেলালে। ব্ৰহ্মপুত্ৰ কমিচন কৰিছে কিন্তু ব্ৰহ্মপুত্ৰ কমিচন কৰি বানপানী প্ৰতিৰোধ কৰা কথাতো আকাশত চাং পতা কথাহে হব। ১৯৬৮-৬৯ চনত ২০ লাখ কুইণ্টল ধান সংগ্ৰহৰ লক্ষ্যৰ ঠাইত ১৮ লাখহে হল গতিকে এইবাৰত ২৪ লাখ কুইণ্টলৰ ঠাইত যে কিমান হব সেইটোও ভাবিবলগীয়া কথা।

(সময়ৰ সংকেত)

কিন্তু বাজেট খনত কোনো প্ৰগতিশীল অৰ্থনীতিৰ কথা দেখা পোৱা নাই। কৃষিৰ ক্ষেত্ৰত থাইকৈ তিনিটা কথা আছে। প্ৰথমতে মাটিৰ ব্যৱস্থা সলাব লাগিব দ্বিতীয়তে কৃষিৰ বাবে মাটিৰ ব্যৱস্থা কৰিব লাগিব। তৃতীয়তে কৃষি ব্যৱস্থা যন্ত্ৰীকৰণ হব লাগিব। কিন্তু আমাৰ অসমত বিদ্যুৎ নিয়োগত নিলৰ্জ্জ ভাৱে ব্যৰ্থ হৈছে কিন্তু তামিলনাডুত ৫ লাখ নলকুপ আছে। বিহাৰত ১ লাখ আছে আৰু আমাৰ ইয়াত ৪০৫ টা নলকুপ থকা বুলি বাজেটত দেখুৱাই বিত্তমন্ত্ৰী মহোদয়ে বাহবা বিচাৰিছে।

(সময়ৰ সংকেত)

আৰ্থিক সাহায্যৰ নামত কৃষি বিশ্ববিদ্যালয় খুলি দিলেই কোনো কাজ নহব। আমাৰ ইয়াত কৃষিৰ বাহিৰে উন্নতি হব নোৱাৰে। গতিকে মই কওঁ প্ৰত্যেকজন

সদস্যৰ পৰা অন্ততঃ এশজনকৈ নিবনুৱা যুৱক সংগ্ৰহ কৰিব লাগে আৰু তেতিয়াহলে প্ৰায় এক লাখ নিবনুৱা ডেকা হব আৰু তেওঁলোকক ৫০ হাজাৰ বিঘা মাটি বিজাৰ্ভৰ পৰা দিব লাগে এশখন ট্ৰেক্টৰ কিনি দিব লাগে। ৫।৬ শ তম্বু দিব লাগে। তেতিয়াহলে প্ৰায় ৩ কোটি টকা খৰছ হব যদিও ই এবছৰৰ মূৰত ৩ কোটি ৭৫ লাখ টকা উপাৰ্জন কৰিবলৈ সক্ষম হব। তেতিয়া কৃষি বিপ্লৱ তথা সেউজীয়া বিপ্লৱৰ কথা মানি লব পাৰিম। আনহাতে নিবনুৱা সমস্যাও সমাধান হব। অসমৰ জনসাধাৰণৰ শিহৰণ তেতিয়াহে জাগিব আৰু তাক নকৰি কেৱল ১৪ টা বেংক ৰাষ্ট্ৰীয়কৰণ কৰিলেই কোনো কাম নহব। গতিকে বৰ্ত্তমান আমাৰ আগলৈ অনা এই বাজেটখনত কেৱল হতাশৰ ভাৱহে আছে গতিকে এই বাজেট আমি মানি লব নোৱাৰো।

Jonab Rahimuddin Ahmed :— মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা, নিবনুৱা সমস্যা, যোগাযোগ আৰু কৃষিউৎপাদন আৰু মাটিহীনক মাটি দিয়া আদি নানা কথাই আমাৰ বাজেটখনত ঠাই পাইছে।

Shri Giasuddin Ahmed :— মাননীয় সদস্য ইফালে আছিল কিন্তু সেই ফালৰ কেতিয়া গ'ল নাজানিলো।

Shri Dulal Chandra Baruah :— Formaly আমাক জনোৱা নাই। যদি আপোনাক কিবা জনাইছে আমি এতিয়াও জনা নাই। কিন্তু আমি জানিব লাগে নে নালাগে?

Jonab Rahimuddin Ahmed :— মাননীয় অধ্যক্ষ মহোদয়, মাটিহীনক মাটি দিয়াৰ ক্ষেত্ৰত কঙ যে গোস্বামী ডাঙৰীয়াও এজন মেম্বাৰ আৰু বহুতকে Permit দিছে।

Shri Atul Chandra Goswami :— কপিলপৰীয়া সমবায়ৰ মাটি মাননীয় সদস্যৰ নামত, পৰিয়াল বৰ্গৰ নামত কিমান আছে জনাবনে ?

Shri Phani Bora :— Mr. Speaker, Sir, the hon. Member it seems was sleeping for a very long time. He woke up only after he has joined the Congress. So far as this side of the House is concerned, so many times it was stated that we were prepared to sit together with the Government

Shri Kehoram Hazarika :— পতিজুবি ৰিজাৰ্ভত কিমান মাটি আছে?

Shri Atul Chandra Goswami :— মাননীয় সদস্যৰ নিজৰ নামত তেখেতৰ পৰিয়ালবৰ্গৰ নামত কপিকপৰীয়া সমবায় সমিতিৰ মাটি আছে নে নাই, এইটো জনাব লাগে।

Jonab Rohimuddin Ahmed :— নাই, মই Challange দিব পাৰোঁ।

## Adjournment

**The House then adjournment for Lunch till 2 p.m.**

Shri Azad Ali :— মাননীয় উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী মহোদয়ে ১৯৭১-৭২ চনৰ কাৰণে যিখন বাজেট আমাৰ আগত দাখিল কৰিছে সি আমাক হতাশ কৰিছে। এই বাজেটখন জনস্বাৰ্থবিৰোধী আৰু অসমাজবাদী। এই খন বাজেট আমাৰ কোনো সমস্যাৰে সমাধান কৰিব পৰা নাই। অসমত যিবিলাক ডাঙৰ ডাঙৰ সমস্যা আছে—যেনে ভূমি সমস্যা, নিবনুৱা সমস্যা আৰু খাদ্য সমস্যা—এইবিলাক সমস্যা স্থায়ী সমাধানৰ কাৰণে কোনো দিহা চৰকাৰে কৰিব পৰা নাই। অসমৰ নিচিনা এখন তৃতীয়া ৰাজ্যত প্ৰায় ৫৪ কোটি টকাৰ ঘাটি বাজেটে ৰাজ্যখনলৈ কোনো মঙ্গলজনক বিধি ব্যৱস্থা আনিব নোৱাৰে—তাৰ ঠাইত মুদ্ৰা স্ফীতিৰ গধুৰ বে জাত ৰাজ্য আৰু ৰাইজলৈ হাহাকাৰহে আনিব। ইতিমধ্যে ৰাজ্যখনত নিত্য প্ৰয়োজনীয় জিনিচ—পত্ৰৰ মুল্য বৃদ্ধিয়ে ৰাইজৰ জীৱন জাপনত হাহাকাৰ আনিছে। এই সমস্যা দূৰিকৰণৰ কাৰণে চৰকাৰৰ কোনো ব্যৱস্থা লব পৰা নাই। আনহাতে চৰকাৰে এটা Pay Committee গঠন কৰি চৰকাৰী কৰ্ম্মচাৰী সকলৰ দৰ্ম্মহা বৃদ্ধিৰ কাৰণে চেষ্টা কৰিছে। চৰকাৰী কৰ্ম্মচাৰী দৰ্ম্মহা বৃদ্ধি হওক আমাৰ আপত্তি নাই কিন্তু তাৰ লগতে জনসাধাৰণৰ জীৱনযাত্ৰাত যাতে সুগম হয় তাৰ কাৰণেও ব্যৱস্থা কৰিব লাগে। পে বঢ়োৱাৰ লগতে চৰকাৰে এটা কথা যেন চিন্তা কৰে আৰু সেইটো হৈছে পে কমিটিৰ Structure টো যাতে সমাজবাদী হয় তালৈ যেন চৰকাৰে লক্ষ্য কৰে। অসম Civil Service ৰ ১ম আৰু ২য় শ্ৰেণীৰ চাকৰিয়াল সকলৰ কামৰ Nature একেই। কিন্তু দৰ্ম্মহাৰ ক্ষেত্ৰত বিৰাট পাৰ্থক্য। এই দুয়ো শ্ৰেণীৰ চাকৰিয়াল সকলৰ দৰ্ম্মহাৰ

ক্ষেত্ৰত যাতে এই পাৰ্থক্য নাথাকে তাৰ কাৰণে চৰকাৰে দৃষ্টি দিব লাগে। থিক সেই দৰেই নৰ্ম্মাল পাচ আৰু মেট্ৰিক নৰ্ম্মাল পাচ কৰা শিক্ষক সকলৰ দৰ্মহাৰ ক্ষেত্ৰত পাৰ্থক্য আছে, আৰু এই কাৰণে যোৱা ২ বছৰ ধৰি আবেদন নিবেদন কৰা হৈছে; কিন্তু কাৰ্য্য ব্যৱস্থা একো হোৱা নাই। আশাকৰো এই ক্ষেত্ৰটো চৰকাৰে যেন পাৰ্থক্যটো দূৰ কৰে।

উপাধ্যক্ষ মহোদয়, মই এই প্ৰসংঙ্গতে এটা কথা কব খুজিছো যে অকল চৰকাৰী চাকৰিয়ালৰ বেতন বৃদ্ধি কৰিলেই প্ৰকৃত সমস্যা সমাধান হব নোৱাৰে, কাৰণ দৰ্ম্মহা বৃদ্ধি হোৱাৰ ফলত যে মুল্য বৃদ্ধি আহি পৰিব সেই মূল্য বৃদ্ধিয়ে ক্ৰয় শক্তি নথকা জনসাধাৰণ ৰাইজক জৰ্জৰীত কৰিব। সেই কাৰণে দৰ্ম্মহা বৃদ্ধিৰ লগে লগে দেশত উৎপাদন বৃদ্ধিৰ ব্যৱস্থা দৃঢ় কৰিব লাগিব। গতিকে এই সমস্যাৰ স্থায়ী সমাধান হিচাপে চৰকাৰে উৎপাদন বৃদ্ধিৰ কাৰ্য্যকৰী ব্যৱস্থা হাতত লব লাগিব; নহলে অকল বেতন বৃদ্ধিয়ে সমাজৰ অৰ্থনীতিৰ বুনিয়াদ চুৰমাৰ কৰিব। ইয়াৰ লগতে মই এই কথাও সদনত নিবেদন কৰিব খুজিছো যে আমাৰ মৰাপাট খেতিয়ক সকলে মূৰৰ ঘাম মাটিত পেলাই যি মৰাপাট উৎপাদন কৰে তাৰ নায্য দাম নাপায়। ১ মোন মৰাপাট উৎপাদন কৰোতে প্ৰায় ৫০ টকা খৰচ পৰে কিন্তু ধনী মিল মালিক সকলে তেওঁলোকৰ পৰা ২৫/৩০ টকা মোনে মৰাপাট কিনি লৈ যায়। গতিকে মই কব খুজিছো যে চৰকাৰে মৰাপাটৰ এটা সৰ্ব্বনিম্ন দাম মোনে ৬০ টকাকৈ বান্ধি দিব লাগে আৰু State Trading ৰ যোগে মৰাপাট খৰিদ কৰিব লাগে।

আমাৰ সৰহ শস্য উৎপাদনৰ ক্ষেত্ৰত চৰকাৰে বিশেষ কাম কৰা নাই। আৰু যিখিনি শস্য উৎপাদন হৈছে সেই খিনিও মানুহে নিজেই কৰিছে চৰকাৰৰ পৰা যি টকা এই ক্ষেত্ৰত ব্যয় কৰিছে সেইটো অপচয়হে মাথোন। এই অপচয় চৰকাৰে বন্ধ কৰিব লাগে আৰু চৰকাৰী কৰ্ম্মচাৰী সকলৰ মাজত হোৱা দুৰ্নীতি যাতে বন্ধ হয় তাৰ বাবে কাৰ্য্যকৰী ব্যৱস্থাহে হাতত লব লাগে।

মই এই ক্ষেত্ৰত এটা উদাহৰণ দিব বিচাৰিছো, মোৰ সমষ্টিত ৰমনা পথাৰত Fild Management কমিটি কৰি খেতি বাতি আদি কামৰ কাৰণে ৩০ বিঘা মাটি ৰাইজে নিজে কাম কৰিলে, তেওঁলোকক পাৰিশ্ৰমিক দিয়াৰ ব্যৱস্থা আছিল কিন্তু তেওঁলোকক সেইখিনি দিয়া হোৱা নাই। কৃষকসকলক অশিক্ষাৰ কাৰণে

২০০/২৫০ টকা দিয়া দেখুৱাইছে প্ৰকৃততেকিন্তু তেওঁলোকক অশিক্ষক দিয়া হোৱা নাই সেই টকা কৃষি আৰু পঞ্চায়ত বিভাগৰ কৰ্ম্মচাৰী সকলে ভোগ ভাত খাই শেষ কৰি দিছে সেইদৰে চৰকাৰী টকা পইচা অপচয় হৈ আছে। মোৰ সমষ্টি গোৰীপুৰত বড়ো খেতি যথেষ্ঠ পৰিমাণে হয় কিন্তু পানীৰ অভাৱত খেতিয়কে খেতি কৰিব নোৱাৰে, চৰকাৰৰ ফালৰ পৰা Pump ৰ ব্যৱস্থা কৰিছে কিন্তু সেইবিলাক পাম্প পথাৰত দিয়াৰ লগে লগে বিফল হৈ যায় আৰু Machanic কো সেইবিলাক মেৰামতিৰ কাৰণে পোৱা নাযায়। এই ক্ষেত্ৰত যি টকা পইচা চৰকাৰে খৰচ কৰিছে সেই টকা অপচয়হে হৈছে আৰু যি খেতি হৈছে সেইটো কেৱল খেতিয়কৰ পৰিশ্ৰমৰ কাৰণেহে হৈছে।

(সময়ৰ সঙ্কেত)

উপাধ্যক্ষ মহোদয় শস্য উৎপাদন ক্ষেত্ৰত আমি খেতিয়কক উৎসাহিত কৰিব লাগে আৰু বৈজ্ঞানিক পদ্ধতিত খেতি কৰিবৰ কাৰণে সকলোধৰণৰ ব্যৱস্থা কৰিব লাগে। বৰ্তমান যি ব্যৱস্থা চৰকাৰে লৈছে সি খেতিয়কৰ উৎপাদন বৃদ্ধিত সহায় কৰা নাই। এই ক্ষেত্ৰত মই এটা চৰ্ত পৰামৰ্শ দিব খোজো যে প্ৰতি আঞ্চলিক পঞ্চায়তত ৩০ বা ৪০ বিঘাকৈ মাটি লৈ আদৰ্শ Firm কৰিব লাগে যাতে ওচৰৰ খেতিয়কে তাকে দেখি কৃষি পদ্ধতি শিকিব পাৰে।

উপধ্যক্ষ মহোদয়, বেঙ্ক ৰাষ্ট্ৰীয়কৰণ কৰি ঢোল কোবাইছিল কিন্তু বেঙ্ক ৰাষ্ট্ৰীয়কৰণ কৰাৰ পৰা খেতিয়কৰ উপকাৰ হোৱা নাই। ১৪ টা বেঙ্ক ৰাষ্ট্ৰীয়কৰণ হৈছে কিন্তু বেঙ্কৰ নীতি নিয়ম ইমান কঠোৰ যে গৰীব খেতিয়কে তাৰ পৰা একো সহায় লব পৰা নাই যদি খেতিয়কক বেঙ্কৰ পৰা সহায় কৰিব লাগে তেন্তে হলে বেঙ্কৰ নিয়মবিলাক শিথিল কৰি দিব লাগে। ব্যাক্তিগত জামিনত নাইবা গাওঁ সভাৰ জৰিয়তে কম সুতত সহজ কিস্তিত টকা পোৱাৰ ব্যৱস্থা কৰি দিব লাগিব। আমাৰ দেশত মাত্ৰ ১৪ টা Bank ৰাষ্ট্ৰীয়কৰণ হৈছে কিন্তু বিদেশী Bank বিলাক ৰাষ্ট্ৰীয়কৰণ হোৱা নাই গতিকে বিদেশী Bank বিলাক জাতীয়কৰণ কৰিব লাগে। আৰু তাৰ পৰা দেশৰ উন্নয়নমূলক পৰিকল্পনা সমূহ যাতে সুস্থভাবে চলাব পৰা হয় তাৰ বিহিত ব্যৱস্থা হব লাগে।

(সময়ৰ সংকেত)

বেকাৰ সমস্যা সমাধানৰ কাৰণে চৰকাৰে আজিলৈকে প্ৰয়োজন ভিত্তিক সুস্পষ্ট কোন ব্যৱস্থা বা পৰিকল্পনা হাতত লোৱাত ব্যৰ্থ হোৱাটো অতি দুখৰ কথা

হৈছে। এই সম্পৰ্কে অইন কথা নকৈ মই কেৱল কেইটামান পৰামৰ্শ আগবঢ়াম। গাওঁ অঞ্চলত খেতি কৰিব পৰা মানুহকলৈ ভূমি সেনা গঠন কৰিব লাগে আৰু ৰেইল লাইনৰ দুয়ো কাষে আৰু P.W.D ৰাস্তাৰ দুয়োফালে যি মাটি পৰি আছে যিবিলাক মাটি চৰকাৰী খাজ হৈ পৰি আছে সেই বিলাক মাটিত যান্ত্ৰিক শক্তিৰ পদ্ধতিৰে খেতি কৰা ব্যৱস্থা কৰিব লাগে। ইয়াৰ ফলত এক পিনে খাদ্য উৎপাদন বাঢ়িব অইন পিনে গাওঁলীয়া খেতি কৰিব পৰা বেকাৰ মানুহ বিলাকৰ সাময়িক ভাবে হলেও কিছু কাম হব। চাকৰিয়াল সকলৰ বয়স পাৰ হৈ যোৱাৰ পিছত তেওঁলোকৰ চাকৰিৰ ম্যাদ বঢ়াই দিয়াৰ ব্যৱস্থা একেবাৰে বন্ধ হব লাগে। চৰকাৰী বেচৰকাৰী সকলে বাৰাসয়ীক প্ৰতিষ্ঠান আৰু ঠিকা আদিতো আমি দেখিছো বাহিৰৰ পৰা মানুহ আনি কাম কৰা হয়। সকলো ক্ষেত্ৰতে বাহিৰৰ পৰা মানুহ অনাটো বন্ধ কৰি স্থানীয় মানুহক কামৰ সুবিধা দিব লাগে। গোৱালপাৰা জিলা আৰু লগতে চৰকাৰে শাসন কৰা পিচপৰা অঞ্চল বিলাকৰ উন্নতি কৰিবৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে আমি জানিব পৰা নাই। এই পিছপৰা অঞ্চলৰ বেকাৰ সমস্যা দূৰ কৰিবৰ কাৰণে স্মৰণ কৰ্ম্মসূচী গ্ৰহণ কৰিব লাগে। আৰু এই বিষয়ে চৰকাৰে আজিলৈ কি ব্যৱস্থা হাতত লৈছে মই জানিব খোজো। যোৱা ২৭ তাৰিখৰ Assam Tribuneত দেখিছো যে অসমৰ লোক সভাৰ সদস্য সকলে প্ৰধানমন্ত্ৰীক লগ ধৰি অসমৰ সমস্যা বিলাকৰ কথা কৈছে আৰু প্ৰধান মন্ত্ৰীয়েও সেই সমস্যা-বিলাকৰ সমাধানত আশ্বাস দিছে। এই আলোচনা আমি ভাল পাইছো। কিন্তু অতি পৰিতাপৰ কথা গোৱালপাৰীয়া ৰাইজৰ অন্তৰবেদনাৰ কথা এই আলোচনাত স্থান পোৱা নাই। গোৱালপাৰাৰ ৰাইজে বহুদিনৰে পৰা এই জিলাৰ অৰ্থনৈতিক উন্নতিৰ দুৱাৰ বন্ধ কৰি থোৱা দুটা সমস্যালৈ চৰকাৰৰ ওচৰত বহুভাবে আবেদন নিবেদন কৰি আহিছে। কিন্তু চৰকাৰ নিৰ্বিকাৰ ভাবে এটা যোগীঘোপা পঞ্চৰত্নত ব্ৰহ্মপুত্ৰৰ উপৰত দলং আৰু এটা ধুবুৰীলৈ ব্ৰডগজ লাইন সম্প্ৰসাৰণ।

যোৱা ১৯৬৫ চনত ভাৰত-পাকিস্তান যুদ্ধৰ ফলত যেতিয়া ধুবুৰীৰপৰা পাকিস্তানৰ মাজেদি কলিকতা যোৱা জলপথ বন্ধ হয় তেতিয়াৰে পৰা গোৱালপাৰা জেলাৰ পৰিবহন ক্ষেত্ৰত এক দুৰ্য্যোগ নামি আহে আৰু ধুবুৰী তথা গোৱালপাৰা জিলাৰ অৰ্থনৈতিক বুনিয়াদ চুৰ-মাৰ হৈ যায়। এই দুৰৱস্থাৰ পৰা মুক্তি বিচাৰি আৰু সমস্যাৰ আশু প্ৰতিকাৰ কল্পে যোৱা বছৰ ধুবুৰীৰ পৰা এটা সজাতি দল

দিল্লীত ৰেল মন্ত্ৰীক লগ ধৰে আৰু গোৱালপৰীয়া ৰাইজৰ দাবী জনায়। আমাৰ মুখ্য মন্ত্ৰীকো এই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি ধুবুৰীলৈ অনতি পলমে ব্ৰডগজ লাইন সম্প্ৰসাৰণৰ উপযুক্ত ব্যৱস্থা হাতত লোৱাৰ দাবী জনাই ধুবুৰীৰ পৰা এটা সজাতিদলে এক স্মাৰক পত্ৰ দাখিল কৰে। কিন্তু দুখৰ বিষয় আজিকোপতি এই দুয়োটা সমস্যা সমাধানৰ কোন ব্যৱস্থা নহল।

গোৱালপাৰা জিলাৰ ৰাইজৰ দুৰ্ভাগ্য যে এই জিলাৰ প্ৰতিনিধিত্ব কৰা কেন্দ্ৰীয় দুগৰাকী মন্ত্ৰী শ্ৰীমইনুল হক চৌধুৰী আৰু শ্ৰীফকৰুউদ্দিন আলী আহমেদ চাহাৰ দিল্লীৰ এই আলোচনাত উপস্থিত থকা সত্বেও এই সমস্যা দুটাৰ উল্লেখ নহল।

উপাধ্যক্ষ মহোদয় যি কি নহওক মই আসাম চৰকাৰৰ ওচৰত দাবী জনাও এই দুয়োটা সমস্যালৈ কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি সমস্যাৰ সমাধান অতি সোনকালে কৰিব লাগে। এই বিষয়ে মই চৰকাৰৰ পৰা এটা আশ্বাস বিচাৰো।

Shri Abala Kánta Goswami :—উপাধ্যক্ষ ডাঙৰীয়া, মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই আমাৰ সদনত ১৯৭১-৭২ চনৰ বাবে যি বাজেট দাঙি ধৰিছে, সেই বাজেট গতানুগতিক। "গৰীৱি হটাও, দৰিদ্ৰতা দূৰীকৰণৰ" বিষয়ে ইয়াত কোনো ইংগিতেই নাই। হব পাৰে, গৰীৱি হটাও শ্লোগান দিয়াৰ আগতেই এই বাজেট তৈয়াৰ হৈছিল। গতিকে বিত্তমন্ত্ৰী ডাঙৰীয়াই "গৰীৱি হটাও" কথাটো কৰিবলৈ যিখিনি প্ৰয়োজন সেইখিনিৰ তাত দিহা ৰখা নাই। মই মাত্ৰ আশা ৰাখিছো যে, ভবিষ্যতে এই চৰকাৰ যদি শাসনত অধিষ্ঠিত হয়, তেনেহলে অহা বছৰ এনে এখন বাজেট আনিব লাগিব যি বাজেটত দৰিদ্ৰতা আমাৰ দেশৰ পৰা দূৰ কৰিব পাৰিব। গোটেই দূৰ কৰিব নোৱাৰিলেও, আংশিক ভাৱেও যদি দূৰ কৰিব পাৰে তেনেহলে মই এই চৰকাৰক নমস্কাৰ জনাম। মাননীয় সদস্য শ্ৰীদেবেশ্বৰ শৰ্ম্মা ডাঙৰীয়াই এটা কথা উল্লেখ কৰিছে আৰু মইও সেই একে কথাকে উল্লেখ কৰিব খুজিছো। মধ্যকালীন লোকসভাৰ নিৰ্বাচনত অভাৱনীয় ভাৱে জয়লাভ কৰি ৰাজনৈতিক স্থিৰতা অনা বুলি তেখেতে কৈছে। হব পাৰে-কিন্তু তাৰ ফলস্বৰূপে তেখেতে উল্লেখ কৰিছে যে, মানসিক শক্তিৰ যোগান ধৰাৰ এটা আশা বৰ্ত্তমান আৰম্ভ হৈ গৈছেই। দৃষ্টান্ত স্বৰূপে তেখেতে ভাৰতীয়

ক্ৰিকেট দলে ওৱেষ্ট ইণ্ডিজৰ দলক পৰাজয় কৰে বুলি উল্লেখ কৰিছে মই এতিয়া বিত্তমন্ত্ৰী মহোদয়ক সসম্ভ্ৰমে জনাব খোজো যে, জয়ৰ উল্লাসত আপোন পাহৰা হৈ তেখেতে এই কথাটো তেখেতৰ ভাষণত কোৱা উচিত হৈছেনে নাই—সেইটো নিজে বিবেচনা কৰি চাব। তেখেতৰ দৃষ্টান্তক ধৰি যদি আমি অলপমান কথা বিবেচনা কৰি চাওঁ তেনেহলে বুজিম যে, এই আশাবাদ নিৰ্বাচনৰ দিন পাৰ হৈ যোৱাৰ পিচত যিমান দিন গৈছে, সিমানেই আমাৰ আশাবাদ ক্ষীনৰ পৰা ক্ষীনতৰ হৈ উঠিছে। খবৰৰ কাগজত আমি পাইছো যে, সৰ্বভাৰতীয় ক্ৰিকেট দলে ওৱেষ্ট ইণ্ডিজৰ লগতেই নহয়, আঞ্চলিক দলৰ লগতো পৰাজয় বৰণ কৰিছে। তাৰ পাচত মই কব খুজিছো যে, এইবাৰৰ বাজেট সম্পূৰ্ণ ঘাটি বাজেট। তেখেতে কৈছে যে, এইটো পুৰণি বেমাৰ আৰু পুৰণি বেমাৰ যদি হয় তেনেহলে তাক নিয়ন্ত্ৰিতভাৱে বহুদিন চিকিৎসা কৰিব লাগিব। বেমাৰ সম্পূৰ্ণ আৰোগ্য নহলেও কিছু পৰিমাণে শাম কাটিব। কিন্তু তেখেতে যি ঔষধৰ ব্যৱস্থা কৰিছে সেইটো এই ক্ষেত্ৰত কোনো ৰকমে ফলপ্ৰদ নহয়। আনহাতে আজি আমাৰ কৰ কাটলৰ অনাদায়ী হৈ আছে আৰু বছৰে বছৰে বাঢ়ি গৈ আছে, সেইখিনি আদায় কৰাৰ ব্যৱস্থা তেখেতে ভালদৰে কৰিব পৰা নাই। অৱশ্যে কাগজত কৈছে, বক্তৃতাতো কৈছে যে প্ৰয়োজনীয় সকলো ব্যৱস্থাকে কৰা হৈছে আৰু এই সকলো ব্যৱস্থাকে লাহে লাহে কটকটীয়া কৰা হৈছে। কিন্তু আমি দেখিছো যে, কটকটীয়া কৰিলেও অনাদায়ী কৰ আদায় কৰিব তেখেঁতে পৰা নাই।

বিশেষকৈ বিক্ৰিকৰ, যিটো দুখীয়া বাইজৰ পৰা ধনীসকলে আদায় কৰি নিজে হজম কৰি আছে সেইখিনি টকা তেখেতে আদায় কৰিব পৰা নাই। এইটো আমাৰ চৰকাৰৰ ব্যৰ্থতাৰ বাহিৰে আন একো হব নোৱাৰে। মই ভাবো যিমান দিন আমাৰ শাসন যন্ত্ৰত দুৰ্নীতি চলি থাকিব সিমান দিন চৰকাৰে যি পৰামৰ্শ নিদিয়ক সেই পৰামৰ্শৰ দ্বাৰা অনাদায়ী কৰ কেতিয়াও আদায় হব নোৱাৰে। ভূমি ৰাজহ কিমান বাকী আছে তাৰ উল্লেখ এই বছৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ বক্তৃতাত কোৱা নাই। ইয়াৰ সংখ্যাও যোৱা বছৰতকৈ বোধকৰো কম নহব, বেছিহে হব। ভূমি ৰাজহ অনাদায়ৰ বিষয়ে মই দুটামান কথা কব খুজিছো চিলিং আইনৰ ফলত যিখিনি মাটি চৰকাৰে অধিগ্ৰহণ কৰিছে আৰু যিসকল মানুহ দখল কৰি আছে তেওঁলোকক এতিয়াও পট্টা দিয়া হোৱা নাই। ফলত এই

দখলকাৰী বিলাকৰ পৰা মহাজন বা মাটিৰ মালিক সকলে পইচা, খাজনা আদায় কৰি আছে। আৰু চৰকাৰক সেই পইচা দিয়া হোৱা নাই। এনেকুৱা কথা বোধকৰো মোৰ সমষ্টিতে নহয় আন আন সমষ্টিতো হৈ আছে। অকল দুখীয়া মানুহৰ কথাই নহয়, কিছুমান অৱস্থাপন্ন মানুহে চৰকাৰী ৰাজহ নোশোধোৱাৰ কাৰণে তেওঁলোকৰ মাটিৰ পট্টা ৰড হৈছে। অথচ সেই মাটি তেওঁলোকে দখল কৰি আছে কিন্তু চৰকাৰক খাজনা দিয়া নাই। বিনা খাজনাই সেই মাটি দখল কৰি আছে। এইবিলাকৰ যদি যথোচিত ব্যৱস্থা লোৱা নহয় তেনেহলে আমাৰ এই ঘাটি বাজেট কেতিয়াও ৰাহি বাজেটত পৰিণত হব নোৱাৰে। তাৰ পাছত জাতীয় কৃত বেংকৰ কথা মই অলপ কব খুজিছো। যোৱা ডিচেম্বৰ মাহতে বিত্তমন্ত্ৰী মহোদয়ে কৈছে যে, ৯০ লাখ টকা জাতীয় কৃত বেংকৰ পৰা ৰাইজক দিয়া হৈছে আৰু ইয়াৰ পৰা ৰাইজ যথেষ্ট উপকৃত হৈছে। কিন্তু এই টকা কাক দিছে মই কব নোৱাৰো। অৱশ্যে ধনী মানুহে পাব পাৰে। ৰাইজৰ মাজত যিবিলাক কথা কোৱা কুই কৰি থাকে তাকে মাত্ৰ মই সদনৰ আগত দাঙি ধৰি কব খুজিছো—কিন্তু মোৰ নিজৰ অভিজ্ঞতাৰ পৰা নহয়। ৰাইজে কয়, জাতীয় কৃত বেংকৰ পৰা ধনী মানুহ আৰু যিসকল চৰকাৰৰ প্ৰিয়পাত্ৰ তেওঁলোকেহে টকা পাব আনবিলাকে টকা নাপায়। এইটো মোৰ নিজৰ কথা নহয় ৰাইজৰ কথাহে মই কৈছো। যদি চৰকাৰে বাঞ্চা কৰে যে, দুখীয়া ৰাইজক এই টকা দিব লাগে তেনেহলে বেংকৰ টকা দিয়া স্বৰ্ত্তৱলী কিছু শিথিল কৰি দিব লাগে। কি কি স্বৰ্ত্তত, কি কি কাৰণত, কিমান সুদত এই টকা ৰাইজে পাব, এই সকলোবিলাক কথা প্ৰচাৰ বিভাগৰ জৰিয়তে ৰাইজক জনাই দিব লাগে বুলি মই পৰামৰ্শ আগবঢ়ালো।

আমাৰ মাননীয় সদস্য বহুতেই সেইবিলাক কথা ভালকৈ নাজানে। যদি সেই-বিলাক কথা সদস্যসকলক ভালকৈ জনাই দিয়ে তেন্তে সদস্যসকলৰ জৰিয়তে ৰাইজে বোধকৰো এই কথা বিলাক জানিব পাৰিব আৰু তেতিয়াহলে এই জাতীয়কৃত বেঙ্কৰ পৰা যিখিনি সুবিধা পাব লাগে সেইখিনি ৰাইজৰ মাজলৈ যাব বুলি আশা ৰাখিছোঁ।

Public Health এ গ্ৰাম্য পানী যোগান ব্যৱস্থা কৰা বুলি কৈছে আৰু কৰৰাত হয়তো কৰিছেও; কিন্তু মই জনাত জনস্বাস্থ্য বিভাগৰ পানী যোগান আচনি কতো

কাৰ্য্যকৰী হোৱা নাই। বহুত টকা খৰচ কৰা হয় আৰু প্ৰথমতে কিছুদিন কিছু পৰিমাণে কাম চলে, কিন্তু তাৰ পাছত দেখা যায় যে পানীযোগান ব্যৱস্থা বেয়া হৈ যায়, অচল হৈ যায়। উদাহৰণ স্বৰূপে মই কব বিচাৰিছোঁ আমাৰ মিৰ্জ্জা পানী যোগান আচনিত স্বাস্থ্য বিভাগে এটা কামত প্ৰায় একলাখ টকা খৰছ কৰিছে, আজি তিনিবছৰ হ'ল, এই ব্যৱস্থা আজিলৈকে ভালকৈ চলা নাই। চৰকাৰক বাৰম্বাৰ আবেদন নিবেদন কৰা হৈছে কিন্তু অলপ টকা খৰছ কৰি সেই অচল অৱস্থাটো সুচল্ল কৰিবলৈ চৰকাৰে সুবিধা কৰি দিয়া নাই।

আমাৰ মাননীয় সদস্য এজনে কৈছে যে চাৰিওফালৰ পৰা জনজাতীয় লোকৰ মাজত সকলো সুবিধা সমানে বিতৰণ নোহোৱাৰ বাবে জনজাতীয় ৰাইজে অসন্তুষ্টিৰ প্ৰকাশ কৰিছে এইটো চৰকাৰে নুই কৰিব নোৱাৰে। এইটো সঁচা কথা যে যিখিনি বস্তু মানুহক লাগে সেই সকলোখিনি চৰকাৰে দিব পৰা নাই আৰু সকলো অঞ্চলতে সকলো সুবিধা সমান ভাবে বিতৰণ কৰিব পৰা নাই বুলি মই ভাবো। মোৰ অঞ্চলত এটা ঠাই আছে, যি ঠাইত জনজাতীয় মানুহ বসবাস কৰি আছে সেই মৌজাটোত জনজাতীয় মানুহেৰে পৰিপূৰ্ণ কিন্তু সেই মৌজাত আজিলৈকে এখনো Dispensary নাই। আজি কেইবা বছৰো ধৰি এটা সামান্য Medical Sub-Centreৰ কাৰণে আবেদন জনাই থকা স্বত্বেও পোৱা নাই। আমাৰ অঞ্চলৰ এই জনজাতিৰ লোকসকল সৰল আৰু দাবীও সাধাৰণ কিন্তু চৰকাৰে সেই সাধাৰণ দাবীও পূৰণ কৰিবলৈ চেষ্টা কৰা নাই।

তাৰ পাছত পুৰ্ণবসতিৰ কথা কৈছোঁ মোৰ অঞ্চলতেই কেইখনমান গাওঁ আছে, য'ত বানপানী আৰু গৰাখহনীয়াত বিধ্বস্ত হৈ মানুহবিলাকে কষ্ট ভোগী আছে। খেতিৰ মাটিৰ কথা মই নকওঁৱেই ; কিন্তু তেওঁলোকৰ বস্তিৰ কাৰণেও মাটি দিয়া নাই আনকি অনুনয় বিনয় কৰা স্বত্বেও চৰকাৰৰ পৰা কোনো প্ৰতিবিধান তেওঁলোকে পোৱা নাই। চিমিনা গাৱঁৰ মানুহ গৰাখহনীয়াত দুৰ্দশাগ্ৰস্ত হৈছে, তেওঁলোকক মাকেলী নামে ৰিজাৰ্ভ এখনত মাটি দিয়া হৈছিল ; কিন্তু এতিয়াও তাৰ আধাখিনি ৰাইজক চৰকাৰে মাটি চমজাই দিব পৰা নাই।

শিক্ষাৰ বিষয়ত মই কওঁ যে আমাৰ হাইস্কুল বিলাকৰ দুটা তৰপ এতিয়াও আছে। এটাই ঘাটি মঞ্জুৰী পায় আৰু আনটোৱে তদৰ্থ মঞ্জুৰী পায়। এই তদৰ্থ মঞ্জুৰী পোৱা স্কুলবিলাকৰ অৱস্থা অতি দুখ লগা। শিক্ষকৰ দৰমহাৰ কথা নকওঁ।

তদৰ্থ মজুৰীৰ স্কুল আৰু ঘাটি মজুৰীৰ স্কুলবিলাকত আমাৰ অসম মাত্ৰৰ লৰা-ছোৱালীবিলাকেহে পঢ়ে। যদি চৰকাৰৰ কৰ্ত্তব্য হয় যে সকলো লৰা ছোৱালীক ভাল শিক্ষা দিব লাগে তেনেহলে এই স্কুলবোৰৰ মজুৰীৰ পৰিমাণ বঢ়াব লাগে। বৰ্ত্তমান আৰ্থিক অৱস্থা সচল নহব পাৰে, সেই কাৰণে লাহে লাহে বঢ়াই ঘাটি মজুৰী স্কুলৰ পৰ্য্যায়লৈ সেইবিলাক নিব লাগে। তেতিয়াহলে আজিৰ আঞ্চলিক বৈষম্য দূৰ কৰাত সহায় কৰিব বুলি মোৰ বিশ্বাস। আৰু এটা কথা হৈছে যে class VI লৈ লৰা-ছোৱালীবিলাকক free education দিয়া হৈছে। free education class VII লৈ দিলে, Schoolৰ সংখ্যা বাঢ়িব লাগিব। পইচা দিব লগা হলে হয়তো দুখীয়া মানুহে লৰা-ছোৱালী স্কুললৈ নপঠিয়াব পাৰে, কিন্তু যেতিয়া অবৈতনিক শিক্ষা হয়, স্কুললৈ লৰা-ছোৱালী পঠিয়াব আৰু শিক্ষাৰ প্ৰতি মানুহবিলাকৰ ধাউতি হৈছে। গতিকে স্কুলৰ সংখ্যা বাঢ়িবলৈ বাধ্য। Mashroom gr wth of Schools বুলি কোৱেই এই দায়িত্ব এৰালে নহব। এইটো এটা Sloganত পৰিণত হৈছে স্কুলৰ সংখ্যা বাঢ়িলে চৰকাৰে খৰচ যোগাবলৈ বাধ্য হব লাগিব। class VI লৈ free education দিয়া হৈছে, কিন্তু ইয়াৰ কাৰণে মজুৰী বছৰৰ শেষত দিয়া হয়, ফলত স্কুলৰ শিক্ষকবিলাকে নিয়মমতে দৰমহা নাপায়।

শিক্ষকসকলক Part Payment দিব লগা হয় আৰু নিয়মমতে বেতন দিব নোৱাৰে। গতিকে শিক্ষকসকলৰ নানান ৰকমৰ দুৰ্গতি হৈছে। গতিকে ইয়াৰ কাৰণে এটা এটা উপায় উদ্ভাৱন কৰিব লাগিব class VI লৈকে বেতন নধৰাকৈ ঘাটি মজুৰী দিয়াৰ ব্যৱস্থা কৰিব লাগিব নাইবা Inspector সকলক ইয়াৰ কাৰণে স্কুলক মজুৰি দিবলৈ Authority দিব লাগিব। এইটো হয় মাহে মাহে, নহয় দুমাহে দুমাহে তেওঁলোকে যিখিনি ফীজৰ টকা পায় সেইখিনি টকা দিব লাগে। নতুবা আজি এনেকুৱা অৱস্থা হৈছে যে এই ক্ষেত্ৰত কেতিয়াবা শিক্ষক আৰু ৰাইজৰ লগত কাজিয়া হব। কাৰণ শিক্ষকে যেতিয়া লৰাৰ পৰা ফিজ লব খুজিব তেতিয়াই ৰাইজে কেলৈ দিম বুলি কব আৰু তেতিয়াই শিক্ষক আৰু ৰাইজৰ মাজত কাজিয়া লাগিব। যদি এই মাচুল নোলোৱাকৈ স্কুল বিলাকত শিক্ষা দিয়া হয় তেতিয়াহলে এই শিক্ষক বিলাকেই দুৰ্ভোগ ভোগ কৰিব লাগিব। গতিকে মই চৰকাৰৰ ওচৰত নিবেদন কৰিব খুজিছো যে, ইয়াৰ এটা ব্যৱস্থা লয় যেন। এই ক্ষেত্ৰত হয় ঘাটি মজুৰী দিয়াৰ সময়ত সেই মাচুল খিনি নধৰাকৈ

দিব লাগে নাইবা এই মাচুলৰ কাৰণে যিখিনি স্কুলৰ লোকচান হয় সেইখিনি মাহে মাহে নাইবা তুমাহে তুমাহে দিবলৈ Inspector সকলৰ ক্ষমতা দিব লাগে। এই খিনিকে কৈ, মোৰ বক্তব্য সামৰিলো।

Shri Bishnulal Upadhyaya : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই ১৯৭১-৭২ চনৰ যি, বাজেট সদনত উত্থাপন কৰিছে তাত আমাৰ ৰাজ্যখনৰ আৰ্থিক পৰিস্থিতিলৈ চাই কোনো কৰ কাটলৰ প্ৰস্তাৱ ননাত মই তেখেতক ধন্যবাদ জনাইছো। আমাৰ দুখীয়া ৰাইজৰ চৰকাৰো দুখীয়া। যেতিয়ালৈকে আমাৰ ৰাইজৰ আৰ্থিক অৱস্থাৰ উন্নতি নহয় তেতিয়ালৈকে চৰকাৰৰো আৰ্থিক স্বচ্ছলতা নাহে আমাৰ চৰকাৰে ৰাইজৰ জনমুৰি আয় বঢ়াবৰ নিমিত্তে কেবাটাও আঁচনি লৈছে। তাৰে কেইখনমান আঁচনি আমি বাজেট বক্তৃতাত দেখিবলৈ পাইছো। কিন্তু আমাৰ ৰাইজৰ যি পৰিমাণে উন্নতি হব লাগিছিল সেই পৰিমাণৰ উন্নতি দেখা পোৱা নাই। মোৰ বোধেৰে ইয়াৰ ভিতৰত আটাইতকৈ ডাঙৰ কাৰণটো হৈছে বানপানীৰ উপদ্ৰৱ। বাজেট বক্তৃতাত এইদৰে কোৱা আছে যে, "যোৱা বছৰত বানপানীত ক্ষতিগ্ৰস্ত হোৱা মুঠ মাটিৰ পৰিমাণ আছিল ২১ লাখ ২৭৩৫০ একৰ আৰু জনসংখ্যাৰ পৰিমাণ আছিল ২১, ৩৫,৬৫৮ জন। আমাৰ ৰাজ্যৰ মুঠ জনসংখ্যা ৪ মানুহেই বছৰি বানপানীত ভুগি আছে আৰু ধন-সম্পত্তি খেতিবাতি আৰু অন্যান্য ঘৰ দুৱাৰ ধ্বংস হৈ আছে। এইবিলাক ঘটি থাকিলে আজি ৰাইজে কিদৰে গা ডাঙ্গিব পাৰে? এই অৱস্থা দূৰ কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ সহায় লৈ যি ব্ৰহ্মপুত্ৰ বানপানী নিয়ন্ত্ৰণ আয়োগ গঠন কৰা হৈছে তাকো আজি ৰাতিপুৱা প্ৰশ্নোত্তৰ কালৰ সময়ত হোৱা আলোচনাৰ পৰা দেখা যায় যে, যি কেইটা আঁচনি ইতিমধ্যে প্ৰস্তুত হব লাগিছিল সেই আঁচনি বিলাক হৈ উঠা নাই। আনহাতে কেন্দ্ৰীয় চৰকাৰেও প্ৰতিশ্ৰুতিৰ টকা এতিয়াও দিয়া নাই। গতিকে মই আশা কৰিছো যে আমাৰ চৰকাৰে এই আঁচনি বিলাক প্ৰস্তুত কৰি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰিব আৰু এই বছৰতেই কিছুমান দেখনিয়াৰ কাম কৰিব পাৰিব লাগিব। আমাৰ তেজপুৰত গহপুৰ সমষ্টিত ব্ৰহ্মপুত্ৰৰ দাঁতি কাষৰত যিবিলাক জনজাতীয় মানুহে বাস কৰে তেওঁলোকক বানপানীৰ পৰা ৰক্ষা কৰিবলৈ থাবৈ মুখৰ পৰা গমিৰিলৈকে এই ৬ মাইল জুৰি ব্ৰহ্মপুত্ৰত মঠাউৰি নথকাৰ ফলত ৰাইজৰ বিশেষকৈ মিৰি ৰাইজৰ বৰ দুৰ্গতি হৈছে। আজি যদি এই ৬ মাইল ঠাইত মথাউৰি দিব পৰা যায়

তেতিয়াহলে প্ৰায় ২০ হাজাৰ বিঘা মাটি খেতিৰ উপযোগী হব আৰু আনহাতে ৰাইজৰো য'তে আছে ত'ত স্থায়ী সংস্থাপনৰো ব্যৱস্থা হব এই আঁচনিয়ে যাতে অগ্ৰাধিকাৰ পাব পাৰে তাৰ কাৰণে মই চৰকাৰক অনুৰোধ জনাইছো।

আমাৰ ৰাজ্যত এতিয়ালৈকে তিনিটা মেডিকেল কলেজ হৈছে। আমাৰ ৰাজ্যত ৰাতি অহা কেন্সাৰ ৰোগক বাধা দিবৰ বাবে গুৱাহাটীৰ কেন্সাৰ ইনষ্টিটিউটৰ বাহিৰেও মাদ্ৰাজত আমাৰ চৰকাৰে Seat ৰ ব্যৱস্থা কৰিছে। কিন্তু এটা বৰ জৰুৰী কথাৰ প্ৰতি মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। সেইটো হৈছে এই যে তিনিখন মেডিকেল কলেজৰ ভিতৰত কতোৱেই Dentist ৰ course টো খোলা নাই। ইয়াৰ কাৰণে ১৯৬৯ চনতে ছাত্ৰসকলৰ পৰা দৰ্খাস্ত বিচৰা হৈছিল। তাৰ বাবে Interview call কৰা হ'ল। কিন্তু Seatৰ ব্যৱস্থা কৰিব পৰা নহল তাৰ পাচত আকৌ ১৯৭০ চনত প্ৰায় ১২৫জন ছাত্ৰৰ Interview ল'লে কিন্তু সেই বছৰতো ৰাজ্যৰ বাহিৰত কাকো Seat দিব নোৱাৰিলে। এতিয়া চৰকাৰে গুৱাহাটী আৰু শিলচৰ মেডিকেল কলেজত তিনি-জনকৈ ৬জনক Pre-medical course পঢ়িবলৈ সুবিধা দিছে। কিন্তু তেওঁলোকে এই Pre-medical পাচ কৰাৰ পাচত কেনেকৈ B. D. S. course টো লব পাৰে তাৰ কাৰণে আগতীয়াকৈ ব্যৱস্থা লবলৈ মই চৰকাৰক অনুৰোধ জনাইছো।

আমাৰ ৰাজ্যিক পৰিবহন বিভাগটো "ৰাজ্যিক পৰিবহন নিগমে" লোৱাৰ প্ৰায় এবছৰৰ পিচতো ইয়াৰ কোনো উন্নতি দেখা পোৱা নাই। যিবিলাক বাছ আজিকালি ৰাস্তাত চলে সেই বিলাকৰ অৱস্থাও বৰ বেয়া আৰু যাত্ৰীসকলো কেতিয়াবা গৈ সময়ত গন্তব্যস্থান না পায়গৈ। ৰাইজে আশা কৰিছিল যে, পৰিবহন নিগম লোৱাৰ পিচত নতুন ৰাস্তা উলিয়াই পৰিবহন নিগমৰ গাড়ী চলিব আৰু হয়তো বহুতে চাকৰিৰ ব্যৱস্থাও পাব, কিন্তু এতিয়ালৈকে তেনে কোনো ব্যৱস্থা আমি দেখিবলৈ পোৱা নাই। আমি যেতিয়া পৰিবহন বিভাগৰ মন্ত্ৰীক লগ ধৰো তেতিয়া তেখেতে কয় যে "৩১ জানুৱাৰীৰ লগে লগে আমি সকলো গাড়ী দিম" আৰু সেতিয়া ৩১ জানুৱাৰীত লগ ধৰো তেতিয়া কয় যে "অহা ৩১ মাৰ্চ্চৰ ভিতৰতে হ'ব কিন্তু এতিয়াও বাছ আহি নাপালে। মই চৰকাৰক এই ক্ষেত্ৰত দৃষ্টি গোচৰ কৰিছো।

উপাধ্যক্ষ মহোদয়, আজি আমাৰ চৰকাৰে ৰাজ্যখনৰ কিছুমান পিচপৰা অঞ্চলক উন্নত কৰিবৰ নিমিত্তে পৰিসংখ্যা (Statistics) লৈছে। সেইহিচাবে নগাৱ, কামৰূপ, গোৱালপাৰা কাছাৰ জিলা অনগ্ৰসৰ ঠাই হিচাবে লৈছে। অৱশ্যে দৰং জিলাৰ নাম তাত নথকাত মই দিয়া ন চিন্তা কৰা নাই। কাৰণ আমাৰ উদ্যোগ-মন্ত্ৰী আৰু বিত্তমন্ত্ৰী আছেই। তেখেতসকলৰ ওপৰত আমাৰ দৰঙীয়া ৰাইজৰ বহুত ভৰষা আছে কত নতুন উদ্যোগ হব পাৰে কোনখন নদী বান্ধি বিজুলী শক্তি উলিয়াব পাৰে তেওঁলোকে নিশ্চয় চেষ্টা কৰিব। কিন্তু এটা কথা আমাৰ ভৰলীৰ চকীঘাটত এখন পকা দলং নোহোৱাৰ কাৰণে কেৱল তেজপুৰৰ নহয় সমগ্ৰ উত্তৰপৰীয়া ৰাইজৰে বৰ অসুবিধা হৈছে।

ভৰলীৰ চকিঘাটৰ দলংখন নোহোৱাৰ কাৰণে ১১ মাইল ৰাস্তাৰ ঠাইত এতিয়া ৩২/৩৩ মাইল ঘুৰি আহিবলগীয়া হৈছে! ইয়াৰ ফলত ৰাইজৰ বহুটো অসুবিধা হৈছে আৰু আনহাতে মটৰ বাচৰ পেট্ৰল মবিল আদিৰো অপচয় হৈছে। গতিকে মই চৰকাৰ ওচৰত অনুৰোধ জনাও যাতে P.W.D. বিভাগে এই দলঙৰ কাৰণে ভালকৈ Plan-estima e কৰি লৈ যদি সম্পূৰ্ণ খৰচ আমাৰ চৰকাৰে ব্যয় কৰিবলৈ অপৰাগ হয় তেনেহলে কেন্দ্ৰীয় চৰকাৰকো জোৰ দি হলেও এই ভৰলীৰ দলংখন নিৰ্মাণ কৰিব লাগে।

মই সৰ্বশেষত কব খুজিছো যে চৰকাৰৰ ভূমি বিতৰণ নীতিৰ দ্বাৰাই পিচ পৰি থকা অনুসূচীত জাতি আৰু জনজাতীয় লোকসকলৰ যাতে উপকাৰ হয় তাৰ কাৰণে পুনৰ অনুৰোধ জনাও। এই পিচ পৰি থকা মানুহবিলাকে এই বিষয়ত অগ্ৰাধিকাৰ পোৱা উচিত। তাৰ পাচত নিবনুৱা ডেকাসকলক সংস্থাপিত কৰিবৰ কাৰণে চৰকাৰে এতিয়া যি ব্যৱস্থা লৈছে তাতো মই সন্তোষ পাইছো এই প্ৰসংগত মই এই কথাই কব বিচাৰিছো যে যিবিলাক মানুহে মিলিটাৰি বিভাগত কাম কৰি বৰ্তমান কামৰ পৰা অবসৰ লৈছে সেই মানুহ বিলাকৰ কাৰণে যোৱা "ইমাৰজেঞ্চীৰ" পাচত তেওঁলোকৰ সংস্থাপনৰ কাৰণে ২১ হাজাৰ বিঘা মাটি সংৰক্ষিত কৰি ৰখা হৈছে বুলি চৰকাৰে ঘোষণা কৰিছিল। এইয়া অসম চৰকাৰৰ "চোলজাৰ্চ আৰু চেইলাৰ্চচ আৰু এয়াৰমেনচ বোৰ্ডৰ পুস্তিকা (Brochure) ত কোৱা হৈছে। সেই কথাটো মই পঢ়ি দিছো।

### 6. Reservation of Land

Government have instructed all Deputy Commissioners and Sub-Divisional Officers of the seven plain districts, to reserve 21,000 bighas of land for the present, for settlement with the landless service personnel, ex-servicemen and their dependents, including the dependents of those who were/are reported as killed, maimed or missing while in action in the National Emergency.

এই ধৰণেৰে চৰকাৰে তেতিয়া অতি আৱশ্যক বুলি এনে প্ৰতিশ্ৰুতি দিছিল। কিন্তু সেই প্ৰতিশ্ৰুতি মতে কাম হোৱা আমি দেখা নাই। মাত্ৰ চুঙাজানত কেইটামান পৰিয়াল সংস্থাপিত হৈছে। গতিকে এই মানুহবিলাকৰ মনত উৎসাহৰ সঞ্চাৰ কৰি এমুঠি উপাৰ্জনৰ বাট উলিয়াই দিবৰ কাৰণে আৰু চৰকাৰে দিয়া প্ৰতিশ্ৰুতি ৰক্ষাৰ কাৰণে যেন অতি সোনকালে বিশেষ ব্যৱস্থা চৰকাৰে কৰে। ইয়াকে পুনৰ অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri A. N. Akram Hussain—উপাধ্যক্ষ মহোদয়. বিত্ত মন্ত্ৰী ডাঙৰীয়াই যিখন বাজেট এই সদনত ডাঙি ধৰিছে তাত আমি দেখিছো যে এই বাজেট অসমৰ শোষণকাৰী গোষ্ঠীৰ, পুজিপতি দলৰ অসাধু ব্যৱসায়ীৰ আৰু কৰ ফাকি দিয়া সলকৰ ৰক্ষাৰ কবচ। আৰু এই বাজেট সমাজবাদী সমাজ ব্যৱস্থাৰ সমাধি।

(হাত চাপৰি)

এই বাজেটত আমিও দেখিছো আৰু বিত্তমন্ত্ৰী ডাঙৰীয়াইও স্বীকাৰ কৰিছে যে অসমৰ বিত্তীয় পৰিস্থিতি অতি শোচনীয় আৰু ভৱিষ্যতেও শোচনীয়ই হৈ থাকিব। লগতে বিত্তমন্ত্ৰী ডাঙৰীয়াই নিবনুৱা সমস্যাই বিস্ফোৰক আকাৰ ধাৰণ কৰা বুলি কৈছে আৰু নিয়োগ ব্যৱস্থাৰ অবনতি ঘটিছে বুলি কৈছে। আৰু উদ্যোগৰ ক্ষেত্ৰত তেখেতে হ-হুমুনিয়াহ কাঢ়িছে আৰু লগতে মন্থৰ গতিৰ কথাও উল্লেখ কৰিছে। আৰু কৰিছে আকাশ চুম্বী জিনিচ-পত্ৰৰ দাম বাঢ়িছে। কিন্তু

* Speech not corrected.

দাম কমোৱা ব্যৱস্থাৰ কোনো ইঙ্গীত নাই। এতেকে দেখা গৈছে যে দেশত যি বিলাক প্ৰকৃত ছুষ্ট আৰু অসাধু ব্যৱসায়ী আছে সেই সকলৰ কাৰণেহে এই বাজেট। সমাজবাদী বাজেট নহয়।

এই ক্ষেত্ৰত মই এটা কথা কব খুজিছো যে আমাৰ ৰাজ্যৰ বিভিন্ন বিভাগ বিলাকে বৃহৎ পৰিমাণৰ টকা আত্মস্যাৎ কৰিছে। আৰু সেই বিলাক টকাৰ কোনো 'ভাউচাৰ বা ৰচিদ পত্ৰ নাই। আৰু এই আত্মস্যাৎ কৰা টকাৰ পৰিমাণ ৪৬ কোটি ৪৮ লাখ। আৰু এই টকাটো যোৱা দুই বছৰৰ ভিতৰত আত্মস্যাৎ কৰা হৈছে। এই টকা আদায় কৰাৰ কোনো ব্যৱস্থা কংগ্ৰেছ চৰকাৰে কৰা নাই। ইয়াৰ বাহিৰেও কৰ ফাকি অৰ্থাৎ Sales tax আৰু Income Tax ৰ শিতানত ১৮ কোটি ৩৪ লাখ টকা অনাদায়ী হৈ আছে। চাহ বাগিচাৰ মালিক সকল চোৰাং বেপাৰী, আৰু অসৎ চৰিত্ৰৰ লোকসকলৰ সহায়তাৰ কাৰণে এই টকা আদায় কৰা নাই। এনে পৰিস্থিতি মই শ্ৰীআক্ৰাম হুচেইন যদি বিত্তমন্ত্ৰী হলোহেতেন তেন্তে চৰকাৰৰ এই বিৰাট বিফলতাৰ কাৰণে পদত্যাগ কৰিলোহেতেন কিন্তু আচৰিত কথা আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়াৰ সহিষ্ণুতাৰ তুলনা নাই। (Voice) (তেখেত নিৰ্বিকাৰ)

আজি 'বাংলা দেশ'ৰ দুৰ্দশা আৰু তাৰ লোকসকলৰ ওপৰত পশ্চিম পাকিস্তানৰ মিলিটাৰি শাসকে চলোৱা অমানুষিক হত্যাকাণ্ডৰ প্ৰতি সমবেদনা জনাই আমি কিয় সমগ্ৰ ভাৰতবৰ্ষই তেওঁলোকক সমৰ্থন কৰিছে। এই সমৰ্থন আমি কিয় কৰিছো। ইয়াৰ মূলতে হৈছে পশ্চিম পাকিস্তানৰ মিলিটাৰী শাসকৰ শোষণ শাসন। এই শোষণ শাসনৰ প্ৰতি বাংলা দেশৰ জনসাধাৰণৰ প্ৰতিবাদ। থিক জেনে-কুৱাই শাসন অৱস্থা আমাৰ হৈছে। অসম বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ হাতত বন্ধক আছো। ইয়াত যি বিলাক C R P. আৰু অসমৰ বাহিৰৰ পুলিচ বাহিনীৰ আছে তাৰ পৰিমাণ হ'ল ২১ টা। এই ২১ টা বাহিনী অনতিপলমে কেন্দ্ৰীয় চৰকাৰক ঘোধাই দিব লাগে আৰু তাৰ ঠাইত আমাৰ অসমৰ থলুৱা ডেকা সকলক নিয়োগ ক'ৰব লাগে। কাৰণ কেন্দ্ৰীয় চৰকাৰৰ C.R.P. বাহিনী তলত আমি থাকিব বিচৰা নাই।

নিবনুৱা সমস্যাৰ যি আকাৰ ধৰিছে তাৰ বাবে বিত্তমন্ত্ৰী মহোদয়ে হা-হুতাশৰ হুমুনিয়া কাৰি এই সদনত এক প্ৰস্তাৱ ডাঙি ধৰিছে। তেখেতে কৈছে গাওঁ অঞ্চলত

উদ্যোগ স্থাপন কৰিব লাগিব। কিন্তু আমি দেখিছো যে আন কথা বাদ দিও আমাৰ স্থানীয় ডেকা সকলে ঠিকাৰ কামকে লব পৰা নাই। মই কব খোজো যে ঠিকাৰ কাম বিলাক Security-Mony নোলোৱাকৈ আমাৰ স্থানীয় ডেকাসকলক দিব লাগে। স্থানীয় লোকক Employment দিবৰ কাৰণে এই Employment Review Committee পাতি দিয়া হৈছে সেই কমিটিৰ পৰামৰ্শ গ্ৰহণ কৰি গাৱৰ বেকাৰ সমস্যাৰ সমাধানৰ ব্যৱস্থা কৰিব লাগিব।

ভূমি পট্টনৰ বিষয়ে পৰামৰ্শ দি কওঁ যে ৰাজ্যখনত যি পতিত মাটি পোৱা যায় সেই মাটি বান বিধস্ত গড়াখহনীয়া ৰাইজক যাতে বিতৰণ কৰি দিয়া হয় আৰু প্ৰয়োজন হলে তেওঁলোকক যাতে আৰ্থিক সাহায্যও দিয়া হয়।

ব্ৰহ্মাপুত্ৰ কমিশনৰ কথা বিত্তমন্ত্ৰী মহোদয়ে তেখেতৰ ভাষণত কৈছে, কিন্তু মই জানিব খুজিছো এইটো ব্ৰহ্মপুত্ৰ কমিশ্যন নে ব্ৰহ্মাপুত্ৰ Dipartment। এই Deptt টোৰ ব্ৰহ্মপুত্ৰ কমিশ্যন বুলি প্ৰতাৰণা কৰিছে। আমাৰ যিবিলাক ভঙা মঠাউৰি আছে তাত এচপৰাও মাটি পৰা নাই, কিন্তু ব্ৰহ্মপুত্ৰ কমিশ্যনে ইতিমধ্যে ৬ কোটি টকা খৰচ কৰিছে। ৬ কোটি টকা খৰচ হলেই অথচ ভঙা মঠাউৰীত এচপৰাও মাটি পৰা নাই। গতিকে এই ব্ৰহ্মপুত্ৰ কমিশ্যন এটা মৰিচীকাহে মাত্ৰ। এতিয়া অসমীয়া ৰাইজৰ জহি-শুহি হাড় ওলোৱা অৱস্থা কাৰণেই, কেৱল হাড় কিডাল চোবাবলৈ বাকী আছে। মই বিত্ত মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খোজো যে বৰ্তমান ক্ষেত্ৰত ৫৫ বছৰ বয়সতে Pension পাব লাগে কিন্তু আচৰিত কথা যে আমাৰ যোগ্য Engineer থাকোতেও বাহিৰৰ পৰা অৱসৰ প্ৰাপ্ত Engineer আনি অসম চৰকাৰে নিযুক্তি দিছে। আমাৰ এই Chief Engineer ৰ মজুমদাৰে ৫৬ বছৰ বয়সত Extension দিবলগাত তেওঁক Extension দিয়া নহল অথচ "কেৱৰা" নামৰ ৬০ বছৰীয়া Engineer ক সেই পদটো দিয়া হ'ল। গতিকে কোয়ৰাক বাদ দি আমাৰ অসমৰে এজন মানুহক এই পদটো দিব লাগে।

(সময়ৰ সঙ্কেত)

Electricity Board ৰ কথা উল্লেখ কৰিলে কব লাগিব যে Board ৰ এজন বৰমূৰীয়াই ৩ লাখ টকা আত্মস্বাদ কৰি বহি আছে অথচ চৰকাৰে সেই টকা

আদায় কৰিব পৰা নাই। লগতে পৰিবহন বিভাগৰ এটা কথা শুনিলে আচৰিত হব যে এই বিভাগে ৯খন পুৰনি Ambassader আনি নতুন গাড়ীৰ দাম দিলে। আম্যৰ ২৬ জন মন্ত্ৰাৰ কেইজনমানক এই গাড়ী দিয়া হৈছিল কিন্তু আমি জনাত পৰিবহন বিভাগৰ মন্ত্ৰীয়ে ওলোটাই দিলে অলপ দূৰ গৈয়েই এই গাড়ীৰ Differential ভাঙিল আৰু আন এজন মন্ত্ৰী মহেন্দ্ৰ হাজৰীকা ডাঙৰীয়াই সেই গাড়ীত অলপ দূৰ গৈ গাড়ী অচল হোৱাত হাবিৰ মাজত বহি থাকিব লগা হ'ল। সেই কাৰণে মই চৰকাৰক দাবি জনাও যাতে এটা উচ্চ ক্ষমতাসম্পন্ন কমিটি গঠন কৰি Ambassador গাড়ীৰ এই ঘটনাটো আমাক জনাব লাগে।

মই বিত্ত মন্ত্ৰী মহোদয়ক দাবী জনাইছো যে আমাৰ অসমথনক যেন নীলাম নিদিয়ে আৰু অসমীয়াক জীয়াই থাকিবলৈ সুবিধা দিয়ে।

Shri Dhirani Dhar Choudury :—মাননীয় উপাধ্যক্ষ মহোদয় এইবাৰ আমাৰ বাজেটত ঘাটি পৰিছে ৪৩ কোটি ৮১ লাখ টকা, যোৱাবাৰ আছিল ৪৩ কোটি, সেই কাৰণে দেখা যায় বছৰে বছৰে ঘাটি বাঢ়ি আহিছে এই অৱস্থাটো অসমৰ কাৰণে ভাল নহয়। আজি আমি উদ্বেগজনক অৱস্থাত উপনীত হৈছোহি।

মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই অৰ্থনৈতিক অৱস্থাৰ পৰ্য্যালোচনা কৰি কৈছে যে ১৯৬০/৬১ চনৰ মূল্যত জনমুৰি আয় আগৰ বছৰৰ ৩২২.৫ টকাৰ ঠাইত ১৯৬৮/৬৯ চনত ৩২১.৪ টকা আছিল, কিন্তু ১৯৬৯/৭০ চনত প্ৰকৃত জাতীয় আয় প্ৰায় শতকৰা ৫ ভাগ বৃদ্ধি পোৱা বুলি সিদ্ধান্ত কৰা হৈছে। গতিকে ভাৰতবৰ্ষৰ জাতীয় আয় বাঢ়ি গৈছে যদিও অসমৰ ৰাজ্যিক আয় আৰু জনমুৰি আয় কমিহে গৈছে।

অৱশ্যে ১৯৬৯-৭০ চনত হোৱা প্ৰবল বান পানীৰ ফলত ৰাজ্যিক আয়ৰ ওপৰত ব্যাঘাত জন্মাৰ কাৰণে ৰাজ্যিক জনমুৰি আয়ৰ ওপৰত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা বুলি তেখেতে (বিত্ত মন্ত্ৰীয়ে) কৈছে। আনহাতে তেখেতে যোজনাৰ কথাও উল্লেখ কৰি কৈছে যে—চতুৰ্থ যোজনাত অসমৰ কাৰণে সৰ্বমুঠ ধৰা হৈছিল—২২৩.৭৫ কোটি টকা আৰু তাৰ কাৰণে কেন্দ্ৰীয় সাহাৰ্য্য হিচাবে পাই ১৮২.৮০ কোটি

টকা। তাৰ পিছত অতিৰিক্ত ২৫ কোটি টকা কৰ আদায় কৰি এই যোজনাত খৰছ কৰাৰ কথা আছিল। কিন্তু বৰ্ত্তমান আৰ্থিক তুৰৱস্থাৰ কাৰণে এই অতিৰিক্ত ২৫ কোটি টকা কৰ ধাৰ্য্য কৰি আদায় কৰিব নোৱাৰিব হেতুকে ৪ৰ্থ পৰিকল্পনাত হয়তো ব্যয় হ্ৰাস কৰিব লাগিব। গতিকে এই ক্ষেত্ৰত নিশ্চয় গভীৰভাৱে চিন্তা কৰিব লাগিব, কিভাৱে এই অৱস্থাৰ পৰা উদ্ধাৰ পাব পাৰি। অৱশ্যে তেওঁ কৈছে যে এই ঘাটি পূৰণ কৰিবলৈ ৰাজ্যিক চৰকাৰে অনাদায়ী কৰ আৰু অলপ আদায় কৰিবলৈ আৰু চলিত বছৰৰ পাব লগা কৰ,কাটল থকা আদি আদায়ৰ হাৰ বৃদ্ধি কৰাৰ কাৰণে সকলো চেষ্টা কৰাব। লগতে তেখেতে কৈছে যে কোনো বিশেষ ব্যৱস্থাৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক কিছু সহায় কৰিবলৈ আগবাঢ়ি আহিব লাগিব। আমিও আশা কৰিছো এই ক্ষেত্ৰত ভাৰত চৰকাৰেও আমাৰ কথাবিলাকৰ গুৰুত্ব সহানুভূতিৰে বিবেচনা কৰিব।

কিন্তু আমাৰ অসম চৰকাৰে অকল কেন্দ্ৰীয় চৰকাৰৰ ওপৰত আশা কৰি নিচিন্ত হৈ বহি থকাও উচিৎ নহব। কাৰণ নিজৰ নেজৰ জুই নিজ মুখেৰেই নুমাব লাগিব। এইটো মই নিজৰ কথা কোৱা নাই, ৰামায়ণৰ কথাহে কৈছো। গতিকে আমাৰ প্ৰশাসনীয় ব্যয় কমাব লাগিব আৰু লগতে নতুন কৰৰ কথাও চিন্তা কৰিব লাগিব। আৰু মই এই কথাৰ লগতো একমত যে আমাৰ সৰ্বসাধাৰণৰ অৱস্থা বৰ বেয়া। গতিকে তেওঁলোকে অধিক কৰৰ বোজা বহন কৰিব নোৱাৰিব। কিন্তু আমাৰ ৰাজ্যত এনে এটা শ্ৰেণী আছে যিটো ধনীক শ্ৰেণী তেওঁলোকৰ উপাৰ্জন ৰাহী হয়। তেওঁলোকৰ ওপৰত যাতে কৰ লগাব পাৰে তাৰ ব্যৱস্থা কৰিব লাগিব আৰু এইটো এটা অপৰিহাৰ্য্য কথা বুলিয়েই মই ভাৱো।

দ্বিতীয়তে মই ভাবো যে মদ নিবাৰণ বা মদ নিয়ন্ত্ৰণ ব্যৱস্থাটো উঠাই দিব লাগে যদিও মদ নিবাৰণী কৰাৰ ক্ষেত্ৰত এটা নৈতিক যুক্তি আছে। কাৰণ অসমৰ ভৌগোলিক পৰিস্থিতিত আৰু সামাজিক গাঠনিত মদ নিবাৰণী ব্যৱস্থাটো কৃতকাৰ্য্য কৰিব নোৱাৰিব। গতিকে ৰাজ্যৰ এই আৰ্থিক তুৰৱস্থাৰ সময়ত ৰাজহৰ লোকচান কৰাতকৈ এই ব্যৱস্থা প্ৰত্যাহাৰ কৰা সমীচিন হব বুলিয়েই মই ভাবো। তেনে কৰিলে বৰ্ত্তমানে চৰকাৰৰ ৰাজ্যৰ লোকচান কৰি চোৰাং

কাৰবাৰী বিলাক আৰু দাতিকাষৰীয়া ৰাজ্যবোৰে লাভ কৰা ধনৰ সংখ্যা বহু পৰিমাণে ৰাজ্য চৰকাৰে পাব। মদ নিবাৰণি ব্যৱস্থা উঠাই দিও মদৰ অপকাৰিতাৰ বিষয়ে বহল প্ৰকাৰৰ ব্যৱস্থা কৰিলে সমাজৰ উপকাৰ হব।

তাৰ পিছত আমাৰ যিবোৰ অনুষ্ঠান বা উদ্যোগত চৰকাৰী টকা খটুউৱা হয় সেই অনুষ্ঠান বা উদ্যোগসমূহৰ পৰা চৰকাৰৰ প্ৰাপ্য ধনখিনি আদায় কৰাৰ দিহা কৰিব লাগিব। কাৰণ বহুত সময়ত সেই অনুষ্ঠান বা উদ্যোগৰ পৰা বহু সময়ত চৰকাৰে পাবলগীয়া সুত বা লাভাংশ চৰকাৰে নেপায়। এই অনুষ্ঠান আৰু উদ্যোগবোৰৰ পৰা পাব লগা সুত নিয়মীয়াকৈ পাবই লাগিব আৰু লগতে লাভাংশও পাব লাগিব? ৰাজহুৱা ধনৰ ওপৰত এই অনুষ্ঠানবোৰে চিৰদিনৰ কাৰণে বগা হাতীৰ দৰে বোজা হৈ থাকিব দিব নোৱাৰি আৰু এনে অৱস্থা এটা বাঞ্চনীয়ও নহয়।

উপাধ্যক্ষ মহোদয়, আমাৰ কিছুমান উন্নয়নমূলক কামৰ কাৰণে চৰকাৰে টকাৰ নাটনি বুলি কয়। বোধহয় আমাৰ সকলো মাননীয় সদস্যই জনসাধাৰণৰ দুটা দাবীৰ সন্মুখীন হব লগা হয়। সেই দাবী দুটা হৈছে এটা হৈছে—ৰাস্তা-ঘাটৰ উন্নয়ণ আৰু আনটো হৈছে—স্কুল-কলেজ সমূহৰ কথা। নগৰ এলেকা সমূহত ৰাস্তা-ঘাট হৈছে যদিও গাৱলীয়া অঞ্চলৰ ৰাস্তা-ঘাট বিশেষ উন্নত নোহোৱাৰ কাৰণে গাৱঁলীয়া জনসাধাৰণে যাতায়াতৰ ক্ষেত্ৰত আৰু মাল-বস্তু অনা-নিয়া কৰাত অসুবিধা আৰু কষ্ট ভোগ কৰিবলগীয়া হৈছে। গতিকে এই অৱস্থাৰ উপশম ঘটোৱাৰ কাৰণে চৰকাৰে প্ৰচেষ্টা চলাব লাগে। আমাৰ চতুৰ্থ পাচ বছৰীয়া পৰিকল্পনাত ৰাস্তা-ঘাটৰ উন্নয়ণৰ কাৰণে যি টকা ধৰা হৈছে ই অতি অপ্ৰতুল হৈছে। ৪ৰ্থ পাচবছৰীয়া পৰিকল্পনাত ৰাস্তা-ঘাতৰ উন্নয়ণ অৰ্থাৎ নতুন ৰাস্তা বন্ধাৰ কাৰণে প্ৰত্যেকটো সমষ্টিত ৫ লাখ বা কোনোটো সমষ্টিত অলপ কম বা অলপ বেছি টকা ধাৰ্য্য কৰা হৈছে। সমষ্টি এটাৰ উন্নয়ণ দূৰৰ কথা এটা ৰাস্তা বান্ধিবৰ কাৰণে এই টকা যথেষ্ট হব নোৱাৰে। গতিকে গাৱলীয়া অঞ্চলৰ ৰাস্তা ঘাটৰ উন্নয়ণ-কল্পে চতুৰ্থ পৰিকল্পনাত আৰু অলপ বেছি টকা ধৰিবৰ কাৰণে বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

দ্বিতীয়তে. শিক্ষাৰ ক্ষেত্ৰত আমাৰ ৰাজ্যত যথেষ্ট টকা খৰছ হৈছে আৰু সেই হিচাবে শিক্ষাৰো একেৰাৰে উন্নতি নোহোৱা নহয়। কিন্তু দেখা যায় যে

শিল্পানুষ্ঠানবিলাক ৰাজ্যৰ বিশেষ অঞ্চল কিছুমানত গঢ়ি উঠিছে আৰু সেই অঞ্চলসমূহত ভালকৈ শিক্ষাৰ উন্নতি হৈছে আৰু য'ত নাই একেবাৰেই নাই। এনেকুৱা ধৰণৰ কোনো কোনো অঞ্চলত L. P. School, High School, M. E., M. V. College আদি প্ৰায় শিক্ষাকেই গঢ়ি উঠিছে। ফলত সেই ঠাইৰোৰৰ লৰা-ছোৱালীয়ে ভাল শিক্ষা লাভ কৰিব পাৰিছে। কিন্তু পিছপৰা অঞ্চল বিলাকত তেনে ধৰণৰ কোনো ভাল শিক্ষানুষ্ঠান গঢ়ি নুঠাৰ কাৰণে শিক্ষাৰ ক্ষেত্ৰত এইবিলাক অঞ্চল উন্নত হব পৰা নাই। সেইবিলাক অঞ্চলত ৰাইজে বহুত কষ্টৰে দৈতে High School, L. P, M. E., M. V. আদি School গঢ়ি তুলিছে যদিও চৰকাৰে সেই School বিলাকৰ স্বীকৃতিৰ ক্ষেত্ৰত যি নীতি গ্ৰহণ কৰিছে তাৰ ফলত সেইবিলাক বিকশিত হব পৰা নাই।

তাৰ ফলত শিক্ষাৰ অগ্ৰগতিত বাধাৰ সৃষ্টি হৈ আছে। আজি পিছপৰা অঞ্চলত শিক্ষাৰ অগ্ৰগতিত বাধা পৰি থকাৰ কাৰণেই বৰ্ত্তমান শিক্ষাৰ মান আজিও নিম্নমুখী হৈয়েই আছে। গতিকে ইয়াৰ উপশম কৰা নিতান্তই বাঞ্চনীয়। আজি প্ৰায় দুবছৰ মানৰ আগতে আমাৰ বৰ্ত্তমানৰ শিক্ষামন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী দেৱে চৰকাৰৰ শিক্ষা নীতিক বন্ধ্যা নীতি বুলি কৈছিল।

(এতিয়া আৰু নকয়)

গতিকে মই আশা কৰো তেখেত বৰ্ত্তমান নিজেই শিক্ষামন্ত্ৰী হৈ থকা অৱস্থাত এই বন্ধ্যা নীতিৰ আশু পৰিবৰ্ত্তন কৰাৰ প্ৰয়াস কৰিব।

যোৱা বছৰৰ দৰে এই বছৰো হিন্দী শিক্ষাৰ উন্নয়নৰ কাৰণে হবলগীয়া প্ৰয়োজনীয় টকাপিনিৰ Sanction কৰা ন'হল। উপাধ্যক্ষ মহোদয়, হিন্দী শিক্ষাক যদি বাধ্যতামূলক হিচাবে গ্ৰহণ কৰা হয় তেন্তে তাৰ সৰ্ব্বাঙ্গীন পৰিপুষ্টিৰ কাৰণে চেষ্টা কৰা নিতান্তই আৱশ্যক আৰু তাৰ কাৰণে কোনো সহায় সহানুভূতি নেদেখুৱাটো নিতান্তই অন্যায় হৈছে বুলি মই বিবেচনা কৰো। গতিকে চৰকাৰৰ ওচৰত মোৰ আবেদন এই যে, হিন্দী শিক্ষাক যদি বাধ্যতামূলক পৰ্য্যায়ত ধৰা যায় তেন্তে উন্নতিৰ কাৰণে ভাল ব্যৱস্থা কৰিব লাগে আৰু সেয়ে নহলে ই কেতিয়াও বাধ্যতামূলক শিক্ষা হৈ থাকিব নোৱাৰে।

উপাধ্যক্ষ মহোদয়, ৰাজ্যৰ অৰ্থনৈতিক উন্নতি নিৰ্ভৰ কৰে বিশেষকৈ ৰাজ্যৰ কৃষি আৰু শিল্পোন্নয়নৰ ওপৰত। কৃষি উন্নয়নৰ কাৰণে নানান আঁচন, গ্ৰহণ কৰা হৈছে আৰু কাৰ্যাকৰী কৰিবৰলৈ চেষ্টা কৰা হৈছে যদিও আশাপ্ৰদ সুফল লাভ কৰিব পৰা নাই। ইয়াৰ মূল কাৰণ হৈছে বাৰিষা বানপানীৰ তাণ্ডৱ লীলা আৰু খৰাং বতৰত পানীৰ অভাৱ। গতিকে এই কাৰণ দুটা দূৰ কৰিব পাৰিলেই ৰাজ্যৰ কৃষি উন্নয়নৰ আঁচনি সমূহ আৰু সিবিলাকৰ বাবে কৰা কাৰ্য্যকৰী প্ৰচেষ্টা সমূহ কৃতকাৰ্য্য হৈ উঠিব। আমি 'ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণ" আয়োগ গঠনহোৱাৰ কথা শুনাৰ পিছত কিছু আশাৰ সঞ্চাৰ হৈছিল সচা। কিন্তু ইয়াৰ কাৰ্য্য কাৰিতাৰ ওপৰত আমাৰ বৰ্ত্তমানে সন্দহ আছে। ব্ৰহ্মপুত্ৰ নদী নিয়ন্ত্ৰণৰ দৰে ভাঙৰ আচনিৰ কথা বেলেগেই. সৰুসুৰা নদী যেনে পহুমৰা নদীত ১৯৫৪ কি "৫৫ চনতে যি মঠাউৰি দিয়া হৈছিল তাৰ ফলত সেই অঞ্চলৰ মানুহ বিলাক আজি ভিক্ষাৰী হবলগা হৈছে। আগতে সেই অঞ্চলটোৰ খাদ্যত বহুলভাৱে বাহি অঞ্চলেই আছিল কাৰণ দুয়ো পাৰেই বেছ ভাল ধান খেতি হৈছিল। কিন্তু ১৯৫৪-৫৫ চনতেই আৰম্ভ কৰা সেই মথাউৰি আজিলৈকেই সম্পূৰ্ণ ন'হল।

পহুমৰা নদীৰ সোঁ-ফাল দুটা জান আছে। ১৯৬০ চনতে তাত এটা জানত অৰ্থাৎ যমুনাৰ জানত Shuice gate দিয়া হৈছিল। কিন্তু প্ৰথম বান পানীতে ভাঙ্গি গ'ল। যোৱা বছৰ টেকেলা জানতো Sh ice gate দিয়া হৈছিল। এই Shuice gate খনও বাৰিষা হোৱাৰ লগে লগে ভাঙ্গি গল। এইখিনিতে এটা কথা মই বিত্ত মন্ত্ৰী মহোদয়ক জনাব খোজো যে, ১৯৫৪ চনৰ পৰা যিবিলাক মাটি মথাউৰিৰ বাবে অধিগ্ৰহণ কৰা হৈছিল সেইবিলাকৰ বাবে টকা দিয়া হৈছে। কিন্তু পহুমৰা নদীৰ মথাউৰিৰ বাবে যি মাটি অধিগ্ৰহণ কৰা হৈছে তাৰ ক্ষতিপূৰণ আজি পৰ্য্যন্ত দিয়া হোৱা নাই। বান নিয়ন্ত্ৰণ কৰিব পাৰক বা নোৱাৰক সেইটো বেলেগ কথা—কিন্তু খেতিৰ উন্নতি কৰিবলৈ হলে ভাল পানী যোগানৰ ব্যৱস্থা কৰিব লাগিব। অৱশ্যে খেতিৰ উন্নতি কৰিবলৈ বহুতো আঁচনি কৰা হৈছে। আমি যমুনা Irrigation Scheme ৰ কথা শুনিবলৈ পাইছো। আৰু শুনি অতি দুখ পাইছো এই বাবেই যে, খৰালি হলে তাত পানী নাথাকে আৰু এই ক্ষেত্ৰত চৰকাৰৰ অকৃতকাৰ্য্যতা পৰিলক্ষিত

হৈছে। কেন্দ্ৰৰ Expert য়ে এই Irrigation Scheme ৰ আঁচনি কৰিছিল সেইটো বুজা টান হৈ পৰিছে। এনেকুৱা অৱস্থা হলে আমি জলসিঞ্চন আঁচনিৰ পৰা কোনো সু-ফল আশা কৰিব নোৱাৰো। Lift Irrigation আঁচনি লৈছে আৰু এই আঁচনিৰ দ্বাৰা যাতে কৃষকসকলে খৰালি মাহতো পানীৰ অভাৱত নপৰে আমি তাকেই আশা কৰো আৰু এই পানী যোগানৰ ব্যৱস্থা সফল হলেহে খেতিয়কৰ উন্নতি হব আৰু সৰহ শস্য উৎপাদনত সহায়তা হব।

শিল্পৰ ক্ষেত্ৰত মই কব খোজো যে, চতুৰ্থ পৰিকল্পনাত বৃহৎ উদ্যোগ স্থাপন কৰিবৰ উদ্দেশ্য যিবিলাক আঁচনি আমাৰ ৰাজ্যত লোৱা হৈছে—সেইবিলাক ঠিকমতে কাৰ্য্যকৰী কৰিব পাৰিলেহে আমাৰ অসম ৰাজ্য শিল্প উন্নয়নৰ ক্ষেত্ৰত আগবাঢ়ি যাব পাৰিব।

উপাধ্যক্ষ মহোদয়, বৃহৎ উদ্যোগ স্থাপনৰ লগে লগে আমি কুটিৰ শিল্পৰ ওপৰতো গুৰুত্ব আৰোপ কৰিব লাগিব। কুটিৰ শিল্পৰ ওপৰত যদি আমি গুৰুত্ব আৰোপ কৰিব পাৰো তেন্তে ৰাজ্যৰ আয় বৃদ্ধি হোৱাৰ লগে লগে আমাৰ ৰাজ্যৰ প্ৰধানতম সমস্যা অৰ্থাৎ নিবনুৱা সমস্যা সমাধান হোৱাতো যথেষ্ট সহায় হব। আমাৰ দেশ প্ৰাকৃতিক সম্পদেৰে পৰিপূৰ্ণ। আমাৰ ইয়াত যথেষ্ট পৰিমাণে বাঁহ, বেত, কাঠ আদি পোৱা যায়। এইবিলাক প্ৰকৃতিগত বস্তুৰ ওপৰত ভিত্তি কৰি আধুনিক ধৰণৰ শিল্প গঢ়ি তুলিব লাগে। বয়ন শিল্প বিলাকেও গাওঁলীয়া অঞ্চলত গা কৰিব পৰা নাই। গতিকে এই বয়নশিল্পৰ উৎকৰ্ষ সাধনৰ বাবে যদি কৰ্মীবিলাকক উৎসাহ, উদ্দীপনা দিব পৰা হয় তেনেহলে আমাৰ দেশ উন্নতিৰ পথত আগবাঢ়িব পাৰিব। বয়ন শিল্পৰ ডাঙৰ অন্তৰায় হৈছে সুতা। আমাৰ দেশৰ জীয়ৰী. বোৱাৰী সকলোৱে ঘৰে ঘৰে কাপোৰ তৈয়াৰ কৰিব পাৰে কিন্তু আজিকালি এই কাপোৰ তৈয়াৰ কৰা অৰ্থাৎ তাঁতশিল্পটো একেবাৰে উঠি যোৱাৰ দৰে হৈছে। ইয়াৰ কাৰণ হল অসমত সুতা কটা কমি গৈছে আৰু বাহিৰৰ পৰা যি সূতা অনা হয় তাৰো মূল্য বৃদ্ধি হোৱাৰ বাবে আমাৰ মানুহে সুতা কিনি কাপোৰ ববলৈ এৰি দিছে। তাঁত শিল্পৰ ক্ষেত্ৰত চৰকাৰে যদি সহায় কৰে তেন্তে ইয়াৰ উন্নতি আশা কৰিব পাৰি।

ইয়াৰোপৰি ঘৰুৱা কাম-কাজ, কৃষিৰ কাম ইত্যাদিৰ বাবে ঘৰুৱা সা-সজুলি যেনে: দা, কুঠাৰ, কটাৰী আদি এইবিলাক সা-সজুলি আমি ইচ্ছা কৰিলে আমাৰ

ৰাজ্যতে উৎপাদন কৰিব পৰা যায়। আজিকালি প্ৰায় অঞ্চলতে বিজুলী শক্তি পোৱা যায়। গাঁৱে গাঁৱে এই বিজুলীৰ সহায়ত যদি ক্ষুদ্ৰ ক্ষুদ্ৰ কাৰখানা প্ৰতিস্থা কৰিব পাৰি, তেতিয়াহলে আমাৰ দৈনন্দিন জীৱনৰ লাগতিয়াল সামগ্ৰী সমূহ আমি আমাৰ ৰাজ্যতে তৈয়াৰ কৰিব পাৰিম। শেষত বাজেটত আমাৰ বিত্তমন্ত্ৰী মহোদয়ে এটা কথা কৈছে যে—"কেৱল চৰকাৰী চাকৰিৰ মুখাপেক্ষী হোৱাতকৈ লাভজনক কৃষি আৰু উদ্যোগৰ কাম-কাজত নিয়োজিত হোৱাৰ প্ৰতি জনসাধাৰণৰ মনোভাৱ ধাৱিত কৰিবলৈ সুচিন্তিত প্ৰচেষ্টা চলাব লাগে। দুগ্ধশালা হাঁহ-কুকুৰা, শাক পাচলিৰ খেতি, বাগিছা, মীন-মহল, মাংস ইত্যাদিৰ উৎপাদনৰ বাবে বৃহত আকাৰত উদ্দেশ্যমুখী ফলপ্ৰসু ধন বিনিয়োগৰ কাম বহলভাৱে হাতত লব লাগে যাতে বাহিৰৰ পৰা ৰাজ্য খনলৈ এই দ্ৰব্যসমূহৰ আমদানিৰ পৰিমাণ পাৰ্য্যমানে কমাব পৰা হয়"। বিত্তমন্ত্ৰী মহোদয়ে তেখেতৰ এই কল্পনা বাস্তৱত ৰূপায়িত কৰিবৰ কাৰণে চৰকাৰ যাতে সিদ্ধান্তলৈ আহে তাৰ বাবে অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিলো।

Shri Govinda Chandra Bora :— মাননীয় উপাধ্যক্ষ মহোদয়, জয় জয়তে মই বিত্তমন্ত্ৰী ডাঙৰীয়াক ১৯৭১-৭২ চনৰ বাজেট দাঙিধৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। আজি প্ৰায় ৪ বছৰ কাল আমাৰ বিষাদতে গল—কিয়নো এই বিধান সভাৰ অধ্যক্ষ ৺ শ্ৰীহৰেশ্বৰ গোস্বামী দেৱক আমি হেৰুৱালো আৰু এইবছৰো আমাৰ মুখ্যমন্ত্ৰী শ্ৰীযুত চলিহা দেৱক হেৰুৱালো আৰু নাট্যকাৰ শ্ৰীৰাভা ডাঙৰীয়াকো হেৰুৱালো। এই মহৎ লোকসকলক হেৰুৱাই আমি মৰ্ম্মান্তিক দুখ পাইছো।

আমাৰ অসম ৰাজ্যৰে এটা অংশ আজি আমি হেৰুৱাব লগা হ'ল। এইয়ে হল মেঘালয়। গতিকে আমি আজি আমাৰ ৰাজধানী স্থানান্তৰ কৰাৰ কথাও চিন্তা কৰিবৰ হল। এইবাৰৰ বাজেট আমি পঢ়িছো আৰু দেখিছো যে এইবাৰৰ বাজেটত কোনো নতুন কথা নাই। ই এখন গতানুগতিক আৰু সম্পূৰ্ণ ঘাটি বাজেট। এই বাজেটৰ ঘাটি পূৰণ কৰিবলৈ হলে আমি আমাৰ ৰাজ্যত থকা প্ৰাকৃতিক সম্পদ সমূহক কাৰ্যাত লগাব পাৰিব লাগিব। ১ কোটি ২৫ লাখ জনসাধাৰণৰ অৱস্থা উন্নত কৰিব নোৱাৰিলে ৰাজ্যৰ উন্নতি আশা কৰিব নোৱাৰি। গতিকে আজি আমি আন্তৰিকতাৰে সৈতে ভাৱি-চিন্তি সু-পৰিকল্পিত ভাৱে, প্ৰত্যেক কামৰে একোটা আচঁনি কৰি কৰ্ম্ম ক্ষেত্ৰত অগ্ৰসৰ হব পাৰিব লাগিব আৰু তেতিয়াহে দেশ প্ৰগতিৰ পথত আগবাঢ়ি যাব।

অসম প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ। বাঁহ, বেত, কাঠ আজি প্ৰচুৰ পৰিমাণে অসমৰ বনাঞ্চলত পোৱা যায়। এই অমূল্য সম্পদ ৰাজি উদ্ধাৰ কৰি যথোচিত ভাৱে কমত খটুৱাবৰ বাবে বিত্তমন্ত্ৰী মহোদয়ে তেখেতৰ ভাষণত উল্লেখ কৰিছে। আৰু অসম চৰকাৰ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰিব লাগিব যাতে অসম পিচ পৰি নাথাকি ভাৰতৰ অন্যান্য ৰাজ্যৰ দৰে আগবাঢ়ি যাব পাৰে। ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা অসম চৰকাৰে সহায় আৰু সহানুভূতি বিচাৰে। দেশৰ অৰ্থনৈতিক উন্নয়ণ, সামাজিক উন্নয়ণ কৰিবলৈ হলে অসমৰ কংগ্ৰেছ মন্ত্ৰীসভাই এই কথা কেন্দ্ৰীয় চৰকাৰক বুজাব লাগিব। ইয়াৰোপৰি দিনক দিনে বৃদ্ধি পাই অহা নিবনুৱা সমস্যা সমাধান কৰিব'ল হলে আমাৰ দেশত বৃহৎ উদ্যোগ স্থাপন কৰিব লাগিব।

অসম এখন কৃষি প্ৰধান দেশ। ইয়াৰ শতকৰা ৮২ জন মানুহেই কৃষিৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে এই দেশৰ গৰীব খেতিয়ক সকলক সকলো ৰকমৰ সাহায্য দি তেওঁলোকৰ অৱস্থা টনকিয়াল কৰিব নোৱাৰিলে দেশৰ উন্নতিও আশা কৰিব নোৱাৰি।

এই অৱস্থা টনকিয়াল কৰিবলৈ হলে আমাৰ খেতিয়কসকল যাতে নিবনুৱা নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। আজি আমাৰ খেতিয়ক সকলে যি-খিনি উৎপাদন কৰিছে সেইখিনিতকৈ আৰু বেচি পৰিমাণৰ কৰিব পাৰিলেহেতেন যদিহে আমাৰ চৰকাৰে খেতিয়কসকলক লাগতিয়াল সামগ্ৰী বিলাকৰ যোগান ধৰিব পাৰিলেহেতেঁন। আজি খেতিয়ক সকলে গৰুৰ অভাৱত খেতি কৰিব নোৱাৰে আজি গৰুৱে বোকা মাটিত ঘাহঁ খাই মৃত্যু মুখত পৰে। এইলোকসকলক যদি সহায় কৰিব পৰা হয় তেতিয়াহলে ৰৰ উপকাৰ কৰা হব। এই ক্ষেত্ৰত চৰকাৰক মই নিবেদন কৰিছো।

তাৰ পাচত আমি যদি নিয়মিত ভাবে মাটি পট্টন ভূমিহীনক দিব পাৰো তেতিয়া বোধকৰো আমি এই মাটি সমস্যা সমাধান কৰিব পাৰিম। আমাৰ উত্তৰ লক্ষীমপুৰলৈ মাজুলী, যোৰহাট আদি নানান ঠাইৰ পৰা মানুহ যায় মাটিৰ কাৰণে আজি উত্তৰ লক্ষীমপুৰৰ কিছুমান অঞ্চলত মাত্ৰ ট্ৰাইবেল লোকেৰেই পৰিপূৰ্ণ হৈ আছে। ইয়াৰ মাজত যদি এতিয়া অনা ট্ৰাইবেল মানুহ ৰহে তাত পাচত কাজিয়াৰ সৃষ্টি হব। মই এই ক্ষেত্ৰত আমাৰ ৰাজহমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

আজি আমাৰ যি যান্ত্ৰিক পদ্ধতিৰে খেতি কৰাৰ নিয়ম ওলাইছে ইয়াক আমাৰ গাৱঁত প্ৰচাৰৰ কাৰণে চিন্তা কৰিব লাগে। আজি আমাৰ মানুহে State Bank ৰ পৰা ঋণ লবলৈ সুবিধা পাইছে যদিও এই ঋণ ঠিকমতে লব পৰা নাই। মই এই ক্ষেত্ৰত Bank ৰ Development Branch তো খবৰ কৰিছো। আমি যদি আমাৰ ৰাইজক Bank জাতীয়কৰণ কৰাৰ সুবিধাখিনি দিব পাৰো তেতিয়াহলে আমাৰ ৰাইজৰ লাভ হব।

ইয়াৰোপৰি আজি আমাৰ খেতিয়ক সকলক বানপানীৰ কবলৰ পৰা ৰক্ষা কৰিব লাগিব। আজি ব্ৰহ্মপুত্ৰ আয়োগ গঠন কৰাত আমি ভাল পাইছো। কিন্তু বাকী নৈ বিলাক নিয়ন্ত্ৰণৰ ভাৰো এই কমিচনক দিলে আমাৰ চৰকাৰৰ লাভ নহব। সেইকাৰণে আমাৰ চৰকাৰে বাকী নৈ নিয়ন্ত্ৰণৰ কাম হাতত ললেহে খেতিয়ক ৰাইজৰ উপকাৰ হ'ব। আজি এই ব্ৰহ্মপুত্ৰ কমিচনৰ তিনিটা মণ্ডল হৈছে; কিন্তু এটা মণ্ডলেও মেৰামতি আদি কামবিলাককে কৰিব পৰা নাই।

মই আৰু বেছি কথা নকও। ইয়াৰ পাচত মই Pay committee ৰ কথা কব খুজিছো। এই Pay committee হলেই দৰমহা বাঢ়ে। মই সিদিনা "All Assam Sub-Engineer Association" লৈ গৈছিলো। তাত দেখিলো বেচ সুন্দৰ সুন্দৰ পোচাক পিন্ধা মানুহ। আনহাতে দি মই তাৰে কেইজনমানক তামোলৰ ভাৰ লৈ যোৱা আঠুৰ মূৰত চুৰীয়া পিন্ধা এজন মানুহক দেখুৱাইছিলো আৰু কৈছিলো যে, সেইজন মানুহৰ কাৰণেও আমি চিন্তা কৰিব লাগে। এই বিলাক বিষয়ে যদি আমি চিন্তা নকৰো তেতিয়া হলে কোনে কৰিব। সিদিনা উত্তৰ লক্ষীমপুৰত "সদৌ অসম জাৰিকান" মেলা আছিল। তাত আমাৰ যোগান বিভাগৰ মন্ত্ৰী বিশিষ্ট অতিথি আছিল। আজি এইবিলাক বিষয়ৰ প্ৰতিও চৰকাৰে চকু দিব লাগে যাতে Pay-Committee ৰ পৰা তেওঁলোকো উপকৃত হয়।

ইয়াৰ পাচত মই সাধাৰণ প্ৰশাসনৰ কথালৈ আহো। এই ক্ষেত্ৰত আমাৰ লক্ষীমপুৰত ডিব্ৰুগড় বুলি এখন ঠাই আছে। ইয়াৰ লগত ভৌগলিক দিশৰ পৰাই হওক বা Physically ই হওক উত্তৰ লক্ষীমপুৰৰ সংযোগ খুব কম। আমাৰ মানুহে কোনো কোনো কাম তেজপুৰ বা যোৰহাটত কৰিব লাগে। সেই কাৰণে উত্তৰ লক্ষীমপুৰক এখন সুকীয়া জিলা কৰিবৰ কাৰণে মই চৰকাৰক

নিবেদন জনাইছো। কাৰণ তেতিয়া আমাৰ সকলো ৰাইজৰ উপকাৰত আহিব। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri Surendra Nath Das : উপাধ্যক্ষ মহোদয়, বিত্ত মন্ত্ৰী মহোদয়ৰ বাজেট ভাষণত ৰাজ্যত নতুন কৰ কাটল লগোৱাৰ প্ৰস্তাৱ নথকাত সচাকৈ অসমৰ জনসাধাৰণ আশন্বিত হৈছে। যদি বা ১৯৭১-৭২ চনৰ বাজেটখনত ৪৩ কোটি টকাৰ ঘাটিৰ প্ৰস্তাৱ লৈ সদনত দাঙি ধৰিছে তথাপি আশা ৰাখিছো যে কেন্দ্ৰীয় চৰকাৰে অসমক আৰ্থিক সহাৰি জনাব। কেন্দ্ৰীয় চৰকাৰে স্বীকাৰ কৰিছে যে অসমখন দুৰ্য্যোগপূৰ্ণ, বানপানী প্ৰাকৃতিক দুৰ্যোগে অসমক জুৰুলা কৰিছে। গতিকে অসমত Integrated intimating Programme ত কেন্দ্ৰীয় চৰকাৰে সহাৰি জনাবৰ কাৰণে কৃপা দৃষ্টি দিছে। আজ সদনত আলোচনা কৰা হৈছে যে চৰকাৰে টেক্স সংগ্ৰহ কৰিব পৰা নাই কিন্তু এইটোও ঠিক যে জনসাধাৰণে খাজনা ঠিকমতেই দি আছে হয়তো তাৰ মাজেৰে কোনোবাই খাজনা সোধাব পৰা নাই। কিন্তু গাওঁৰ মানুহৰ মাজত এটা বিশ্বাস আছে যে ৰজাৰ খাজনা আদায় দিবই লাগিব। বিশেষকৈ দুখীয়া শ্ৰেণীৰ লোকে এই কথাটোত বেছি বিশ্বাস কৰে কিন্তু চৰকাৰৰ তৎপৰতা নথকাত, ভাল Supervisor নথকাত মৌজাদাৰ সকলৰ হাতত বহুত টকা ৰৈ যায় ফলত খাজনা সংগ্ৰহত লেহেম গতি হৈছে। সেই কাৰণে জিলা পৰ্য্যায়ত উপায়ুক্ত মহকুমাধিপতি সকলক এই ক্ষেত্ৰত তৎপৰতা অৱলম্বন কৰাৰ লাগে। মৌজাদাৰ সকলৰ পাৰিবাৰিক অৱস্থা আৰু চৰকাৰৰ উদাসীনতাত এওঁলোকৰ হাতত ১০/১২ হাজাৰ টকাকৈ বাকী পৰি আছে। এই কথাটো আৰু Public Accounts Committee ৰ পৰাও গম পাইছো। এই ক্ষেত্ৰত চৰকাৰে চোকা নজৰ দিব বুলি আশা কৰিলো।

দেশ স্বাধীন হোৱাৰ পিচত স্থিৰ কৰা হ'ল যে প্ৰশাসন বিকেন্দ্ৰীকৰণ হব লাগে। উন্নয়ন খণ্ড হব লাগে গাৱে গাৱে পঞ্চায়ত হব লাগে। দুখীয়া ৰাইজৰ মাজত আলোড়ণ সৃষ্টি কৰাৰ উদ্দেশ্যে পঞ্চায়ত ৰাজ গঠন হ'ল কিন্তু প্ৰথম পাচ বছৰীয়া পৰিকল্পনাৰ পাচত 1st stage, 2nd stage, 3rd stage ব্যৱস্থা ফলত ঘৰকেইটাহে ৰ'ল। অফিচাৰ সকলেও কাগজ পত্ৰ কেইখন সামৰা আৰু বছৰেকত 4 খন আঞ্চলিক পঞ্চায়তৰ মিটিং গাওঁ পঞ্চায়ত ছমাহে মিটিং আদিহে

চলাই থকা আছে। এই উন্নয়নখণ্ড আৰু পঞ্চায়তবিলাকৰ সৃষ্টি কৰাৰ উদ্দেশ্য হ'ল গাওঁলীয়া ৰাইজৰ আৰ্থিক অৱস্থাৰ মানসিক প্ৰস্তুতি যাতে বাঢ়িব পাৰে। কিন্তু বৰ্তমান কিছুমান সম্প্ৰসাৰণ বিষয়াক এই উন্নয়নখণ্ড বিলাকৰ পৰা উঠাই অনাৰ দিহা চৰকাৰে কৰিছে। যেনেকৈ কুটীৰ শিল্প বিষয়া, সামাজিক শিক্ষ বিষয়া আদিক উঠাই নানি তেওঁলাকক বৰং তলত ৰখাৰহে ব্যৱস্থা কৰিব লাগে। কাৰণ গাওঁৰ মানুহবিলাকে কেতিয়া কি আচনি লব লাগে কোনো ধাৰণা নাই। গাৱেঁ-ভূয়ে শিল্পায়নৰ ক্ষেত্ৰত কুটীৰ শিল্পবিষয়াৰ কাৰ্যকলাপ আৱশ্যকীয়। ঠিক তেনেকৈ সামাজিক সম্প্ৰসাৰণ বিষয়াও। চিনেমা দেখুৱাই ৫০০ টকা দিয়াৰ বিনিময়ত পাচ হাজাৰ টকাৰ কাম কৰাই লব পৰা যায়। ৰাইজৰ দ্বাৰা বাট-পথ বন্ধা যুক্তি সংগত। কিন্তু আজি উন্নয়ন খণ্ডবিলাকত চিনেমা Operator নোহোৱাত মেচিনবিলাক অলাগতীয়াল হৈ পৰিছে। গতিকে এইবিলাকৰ এটা ভাল ব্যৱস্থা কৰিব পাৰিলে ৰাইজৰ মাজত আশাৰ সঞ্চাৰ হব।

আমি জনাত মাননীয় সদস্যসকলৰ প্ৰত্যেকৰে সমষ্টিত Venture M.E., L.P., H.E School আছে। এই স্কুলবিলাকৰ অবস্থা তেনেই বেয়া, Black Board মেপ কিনিব নোৱাৰা অৱস্থা। আনহাতে যিবিলাক হাইস্কুল আছে তেওঁলোকৰ স্বীকৃতি বাতিল কৰাটো এটা বৰ সাংঘটিক কথা হৈ পৰিছে। কাৰণ শিক্ষকবিলাকৰ মানসিক প্ৰস্তুতি কমি গৈছে কিয়নো ১০০ বা ৭৫ টকাৰে এজন মানুহ চলা সম্ভৱ নহয়।

গতিকে শিক্ষাৰ ক্ষেত্ৰত যি ধৰণে ঘৰ লব লাগে সেই দৰে ৰাইজে ঘৰ বান্ধি দিছে ; কিন্তু সেইবিলাক এতিয়া ভাঙি গৈছে—সেইবিলাক চৰকাৰে পুনৰ মেৰামাত কৰাৰ দিহা কৰিব লাগে। তদোপৰি শিক্ষাৰ বাবে যিবিলাক আহিলা পাতিৰ দৰকাৰ সেইবিলাক চৰকাৰে যোগাৰ কৰি দিব পৰা নাই তাৰ ফলত ল'ৰা-ছোৱালীবোৰে শিক্ষাৰ বিষয়ে যিখিনি শিকিব লাগে বা যি পৰিমাণে শিক্ষাৰ অৰ্হতা লাভ কৰিব লাগে সেই পৰিমাণে নোপোৱাত আমাৰ স্কুলীয়া শিক্ষাৰ যথেষ্ট অৱনতি ঘটিছে। সেই কাৰণে আমাৰ সেই অঞ্চলত স্কুলৰ স্বীকৃতি উঠাই দিয়াত ২৫/৩০ খন মান স্কুলৰ অৱস্থা একেবাৰে শোচনীয় হৈ পৰিছে।

তাৰ পাছত আমাৰ কিছুমান স্কুল De-recognised কৰা হৈছে ফলত বহুত লোকচান হৈছে। গতিকে অনা স্বীকৃতি বাতিল কৰিব লাগে। আজি যি

বিলাক স্কুলে ৭৫০ টকা পাইছিল সেইবিলাকে মাত্র এতিয়া ৩০০্ টকা পাইছে। যোৱা তিনিবছৰৰ ভিতৰত হয়তো ।% P.C. কমিছে। তাৰ কাৰণে ৭ হেজাৰৰ ঠাইত ৬ মাহত মাত্র ৩০০্ টকা পাইছে। এই ধৰণে কৰিলে শিক্ষাৰ উন্নতি নহব। সেই কাৰণে মই পৰামৰ্শ আগ বঢ়াওঁ যে অৰ্থনৈতিক ক্ষেত্ৰত গাৱঁলীয়া অঞ্চলত সহায় কৰিবৰ কাৰণে শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট অনুদান দিব লাগে। আজি আমাৰ নিবনুৱা সমস্যাৰ কথা কোৱা হৈছে।

আমাৰ আগতে State transport আছিল। এতিয়া পৰিবহন নিগম কৰা হল। আমি আশা কৰিছিলো—এই নতুন পদ্ধতিটো সম্প্ৰসাৰিত হলে যথেষ্ট উন্নতি হব। কিন্তু দেখা যায় এই এবছৰৰ ভিতৰত বিশেষ উন্নতি হোৱা নাই। গাড়ীৰ অৱস্থাৰ অবনতি ঘটিছে। অলপতে মই ঘৰৰ পৰা ইয়ালৈ আহোঁতে তিনিবাৰ গাড়ী বদলাব লগা হৈছে। বৰপেটাৰ পৰা গুৱাহাটীলৈ আহোঁতে এখন বাছতে তিনিখন গাড়ীৰ মানুহ ঠেলা-হেঁচা কৰি আহিব লগীয়া হ'ল। Private বাছ বিলাকতো সেই একে অৱস্থা। আজিলৈ কোনো উন্নতি দেখা নাই আজি আমাৰ ৩০.৯৯ কিলোমিটাৰ ৰাস্তাৰ কাম কৰাৰ কথা কৈছে আৰু ৪৭০৪ কিলোমিটাৰ ৰাষ্টাৰ কাম কৰাৰ কথা কৈছে। কিন্তু আমি সকলোৱে জানো যে আমাৰ ৰাস্তাৰ অৱস্থা বৰ বেয়া হৈছে ৪০/৬০ মাইল দীঘল ৰাস্তা যিবিলাকে ৫/৪ টা সমষ্টি চুই আছে সেইবিলাকৰ অৱস্থাও শোচনীয়া। ঠিক তেনেকৈ বৰপেটাৰ পৰা বাইহাটালৈ মহাত বহুতো আহুকাল হয়। গতিকে এইবিলাক কথালৈ চাই গাড়ী আৰু ৰাষ্টাৰ সংখ্যা বৃদ্ধি কৰিব লাগে। এই ধৰণে কৰিলে ডেকাচামে ড্ৰাইভাৰ ইত্যাদিও কৰ্ম্ম সংস্থান পাব পাৰে।

আমাৰ দেশখনৰ শতকৰা ৮০ জনেই খেতিয়ক। খেতিৰ সম্বল হল গৰু হাল আৰু জমিখিনি আমাৰ দেশত যিবিলাক ভূমিহীন লোক আছে তেওঁলোকক ৰিৰ্জাভৰ পৰা মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। অৱশ্যে আমাৰ বন সম্পদ সংৰক্ষণ কৰিব লাগিব। তাৰ পাছত চাৰ্ভে কৰি কিমান খেতিৰ উপযোগী মাটি আছে সেইখিনি ভূমিহীন লোকৰ মাজত বিতৰণ কৰিব লাগে। অৱশ্যে আমাৰ হাবিত গড় আহিব দৰে মূল্যবান সম্পদবিলাক সংৰক্ষণ কৰিব লাগিব। আমাৰ প্ৰকৃত মাটিহীন জনজাতিৰ লোক আছে। তেওঁলোকক মাটিৰ পট্টন দিয়াৰ ব্যৱস্থা কৰিব লাগে।

তাৰ পাছত আমাৰ Seed corporation ৰ কথা কোৱা হৈছে। এই Seed corporation আদিৰ জৰিয়তে পোনপতীয়া ভাৱে ৰাইজৰ মাজত বিতৰণ কৰে। কিন্তু আঞ্চলিক পঞ্চায়তৰ জৰিয়তে দিলে B.D.O আদিয়ে পৰিদৰ্শন কৰিবৰ সুবিধা থাকে আৰু তৎপৰতা লব পাৰে।

তাৰ পাছত জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে। এই বিলাকত আঞ্চলিক পঞ্চায়তক দিহা-পৰামৰ্শ দিবৰ বাবে ব্যৱস্থা নাই। গতিকে এইটো এটা সহায়হীন অৱস্থাত পৰে। সেই কাৰণে উন্নয়ন খণ্ডবিলাকক পূৰ্ণ অধিকাৰ দিব লাগে—যাতে বৃহৎ এলেকা বিলাকত জলসিঞ্চনৰ ব্যৱস্থা কৰিব পৰা যায়। সেই কাৰণে মই ভাবো কৃষিৰ ক্ষেত্ৰত চৰকাৰে অধিক গুৰুত্ব দিব লাগে। আজি বিশেষকৈ জনজাতীয় অঞ্চলত মাৰাত্মক অৱস্থাই দেখা দিছে। ওল্টে খন্তাই মাটি খাও আৰু জান-জুৰি বিলাকৰ পানী আহি মাটি নষ্ট কৰিছে। এই ধৰণে জালাহ, বাস্কা অঞ্চলৰ তামোলপুৰৰ বিৰাট অঞ্চলৰ খেতিৰ উপযোগী মাটি তেনেই নষ্ট হব ধৰিছে। ভাল কৰাৰ কাৰণে যদিও Soil Conservation Deptt এ বান্ধ দি মেৰামতি কৰে; তথাপিতো বছৰি বানপানীয়ে উটোৱাই লৈ যায় আৰু খেতিৰ মাটি নষ্ট কৰে। সেই কাৰণে E & D Deptt. ত বেছি টকা খৰছ কৰি বান নিয়ন্ত্ৰণ ব্যৱস্থা কাৰ্য্যকৰী কৰিব লাগিব। নহলে আমাৰ অৱস্থা জুকলা হব। এতিয়া ধান খেতিৰ কাৰণে ব্যৱস্থা লৈছে কিন্তু সৰিয়হ খেতিৰ কাৰণে কোনো ব্যৱস্থা লোৱা নাই। সেই কাৰণে দেখা যায়—আমাৰ উত্তৰ কামৰূপৰ বাস্কা অঞ্চলৰ প্ৰায় ১০ একৰ মাটিত সৰিয়হ নষ্ট হৈছে। গতিকে সৰিয়হত পোক আদি পৰিলে তাক ঔষধ দি ধ্বংস কৰাৰ ব্যৱস্থা কৰিব লাগে। কাৰণ আজি সৰিয়হ তেলৰ দাম লিটাৰত ৬৫০ পইচা পৰ্যন্ত হৈছে।

সৰিয়হৰ ক্ষেত্ৰত ভাল ব্যৱস্থা নললে খেতিয়ক ৰাইজৰ বহুত টকা লোকচান হব। সেয়েহে কৃষি বিভাগক সৰিয়হৰ ক্ষেত্ৰত মনোযোগ দিবলৈ উনুকিয়াই দিলোঁ।

(সময়ৰ সংকেত)

আৰো মৌ মাখি পোহা ক্ষেত্ৰত দেখা যায় যে বাকী অঞ্চলত বহুতেই মৌ মাখি পোহা কাম কৰিছে। সৰিয়ৰ ফুলৰ পৰাও এই ক্ষেত্ৰত মৌ সংগ্ৰহ হয়। আনহাতে এই বিলাক কুটীৰ শিল্পৰ এটা আহিলাও। সেইদৰে এই বিষয়ত নজৰ দিবলৈ চৰকাৰক অনুৰোধ কৰিলোঁ। দৰকাৰ হলে আমাৰ অসমৰ ১২১ খন

আঞ্চলিক পঞ্চায়তৰ বাবে ৫০ হাজাৰকৈ প্ৰত্যেকৰে বাবে Self help grant দিয়াৰ ব্যৱস্থা হ'লে আত্ম সাহার্য্যমূলক কামৰ দ্বাৰাই গাওঁলীয়া অঞ্চলত গঠনমূলক কাম কৰিব পাৰি।

(সময়ৰ সংকেত)

আৰৌ ৰাস্তা বন্ধাৰ ক্ষেত্ৰতো এনেকুৱাকৈ ৰখা টকা ব্যৱহাৰ কৰিব পাৰে। তেতিয়াহলে দুখীয়া স্থানীয় লোক সকলেও দৈনন্দিন মজুৰী পাব। ২।৩ দিন ধৰি ২।৩ ঘণ্টা কোৰ মাৰি হাজিৰা পাব।

কোনো কোনো ৰাস্তাৰ দলং বা Culvert নোহোৱা বাবে ৰাস্তা আধকৰা হৈ আছে সেই ফাললৈ চকু দিব লাগে।

জনজাতীয় অঞ্চলতো শিক্ষানুষ্ঠানৰ ফালে মন দিব লাগে ইয়াকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Shri Pitsing Konwar :— অধ্যক্ষ মহোদয়, আমাৰ ১৯৭১-৭২ চনৰ বাবে যি বাজেট দাঙি ধৰিছে তাত ৪৩ কোটি টকা ঘাটি দেখুৱাইছে। যোৱা বছৰ ঘাটি হৈছিল ২৩ কোটি টকা। এইবাৰ ইয়াৰ পৰিমাণ বাঢ়ি ৪৩ কোটি টকা হৈছেগৈ। আমি যেনেকৈ ল'ৰা-ছোৱালীক ভুল হিচাব দি টকাৰ কথা বুজাই দিওঁ ঠিক তেনেকৈয়ে বিত্তমন্ত্ৰী ডাঙৰীয়াই আমাক এখন বাজেট দিছে। পুনৰ সংস্থাপনৰ কাৰণে ৫০ লাখ টকা ধৰিছে কিন্তু শেষত দেখা যায় কোনো কামেই নহয়। ভোটৰ বাবে tax লগোৱাও নাই কিয়নো ভোটৰ দিন আগত আছে। গতিকে মই ভাবো বিত্তমন্ত্ৰী ডাঙৰীয়াই পাৰ্টিৰ কাৰণে ভাল কামেই কৰিছে। কিন্তু এই বাজেটত উন্নয়নৰ কোনো কথাই উল্লেখ কৰা নাই।

Pay Committee কৰাৰ কথা লিখিছে কিন্তু Pay Comittee কৰি দৰমহা বা D.A. বঢ়ালেই সমস্যা সমাধান নহয়। কিয়নো শতকৰা ৮০ ভাগ খেতিয়কেই এই দৰমহা বা D.A. ৰ পৰা লাভবান নহব। কৃষিৰ শিতানত ৬ কোটি ৫২ লাখ ৪৫ হাজাৰ টকা কি ভাবে খৰছ কৰিব খুজিছে একো বুজি পোৱা নাই।

কৃষি ঋণ দিয়াৰ ক্ষেত্ৰত দেখা যায় ৰাজহ মন্ত্ৰীয়ে উত্তৰ দিছে যে এটা মৌজাত ১২ শ টকা দিছে আৰু আন এঠাইত দিছে দুহেজাৰ। একোখন মৌজাত

মাত্ৰ এজন মানুহকহে সাহায্য দিলে কোনো কাম নহব কিয়নো একোটা গোজাত কেৱল একোজন মানুহৰেই গৰু মৰা নাই।

বানপানী হোৱা অঞ্চলত কোনো সাহাৰ্য্যও দিয়া দেখা নাই। আমাৰ ৰাহং অঞ্চলত আত্মসাহাৰ্য্যমূলক ১৭ টা Project ৰ কাম লৈছিল। ৯৬৩ চনতে Survey আদিও কৰিলে কিন্তু আজি ১৯৭১ চনলৈকে তাৰ মানুহে এটাও পইচা পোৱা নাই।

১৯৭১ চনলৈ আমাৰ মানুহ খিলাকে পইচা পোৱা নাই। মানুহে কি সাহসত কাম কৰিব, কিহৰ ওপৰত ভিত্তি কৰি কাম কৰিব, কোন চৰকাৰলৈ ই কাম কৰিব? কাজেই কৃষকসকলক অৰ্থ মঞ্জুৰী দিব পৰা নাই। ইয়াৰ পৰা নিৰ্দ্দেশ দিছে B.D.O ই কাম কৰিব। কিন্তু সেইবিলাক কাগজতহে কৰিব। B.D.O. ই কৃষকসকলৰ আবেদনক্ৰমে এতিয়ালৈকে কোনো কামেই হাতত লোৱা নাই। তাৰ পিছত কিয়নো তেওঁলোকে মানুহ পিয়লৰ কামত ঘূৰি ফুৰিছে। চৰকাৰে আচনি কৰিছে, কৃষি সম্প্ৰসাৰণ কৰিবলৈ দায়িত্ব পঞ্চায়তবোৰক দিছে আৰু মহকুমাপৰিষদত উপসমিতি পাতিছে। কৃষি উপসমিতি বহুৰত ডুবাৰকৈ বহে নে নাই সন্দেহ। মহকুমা পৰিষদৰ মিটিং পাতে আৰু তাতে কৃষিকাৰ্য্য কৰে, কৃষি উন্নয়নৰ কাম মহকুমা পৰিষদৰ অফিচত হয় গাৱত নহয়। যদি এনেধৰণে কাম হয় আমাৰ কৃষকসকলৰ উন্নতি নহয় আৰু আমাৰ যিটো উৎপাদনৰ পৰা দেশৰ আয় হয় সেইটো বৃদ্ধি নহয়। আজি আমাৰ যিটো জাতীয় আয়, সেই টা নিৰ্ভৰ কৰিছে কৃষি উৎপাদন আৰু শিল্প উৎপাদনৰ ওপৰত। আজি আমাৰ দেশত যোগীঘোপাৰ পেপাৰমিল, কাছাৰৰ চেনী কল, বোকাখাটৰ বিলাতী মাটিৰ কাৰখানা আদি কৰি কেইটামান উদ্যোগৰ জৰিয়তে জাতীয় আয় বৃদ্ধিকৰাৰ কথা কৈছে, কিন্তু কৃষিৰ কথা কোৱা নাই।

আজি কৃষকে কৰা খেতিৰ পৰা আমি জহা চাউল, মনোহৰ শালি আদি ভাল ভাল চাউল চিলঙত খাই আছো। কিন্তু কৃষক সকলৰ উন্নতিৰ কাৰণে যদি সচাকৈয়ে চেষ্টা কৰিলেহেতেন তেন্তে তথাকথিত সমাজবাদী চৰকাৰ বাহ বাহ লোৱাটো যুক্তি সঙ্গত হ'লহেতেন। কিন্তু দুখৰ বিষয় তেনে কৰা নাই। সেই কাৰণে এই বাজেট খনত একেবাৰে গৰীব জনসাধাৰণৰ কথা চিন্তা কৰা হোৱা নাই। এই বাজেট খন কেৱল কিছুমান আমোলাৰ সুবিধাৰ কাৰণেহে কৰিছে। তাৰ পিচত আমাৰ ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণ সম্পৰ্কে মাননীয় শ্ৰীধৰণিধৰ চৌধুৰী, শ্ৰীসুৰেন দাসে কৈছে। মই পুনৰ

দোহাৰি কৈছো ব্ৰহ্মপুত্ৰ আয়োগে কি কাম কৰিছে। টকা অহা শুনিছিলো কিন্তু আজিও অফিচলৈ টকা অহা নাই। শ্ৰীমতীইন্দিৰা গান্ধীয়ে ফুটা পইচাত বাঁচ লগাই অসম চৰকাৰক দিছে ৰচি টানি থাকে, অসম চৰকাৰক ধৰিব কয় তাৰ পিচত টানি লৈ যায়। ঠিক বৰশী বোৱাৰ নিচিনা হৈছে। কোমৰাৰ কমিটি May মাহৰ তৃতীয় সপ্তাহত বহিব May মাহত বানপানী আহিব, সেই সময়ত কোন কেইটা মাঠাউৰী কৰা হব, ইত্যাদি কৰোতে অযথা টকা লোকচান হব। তাৰ পিচত আমাৰ নিবনুৱা যুবক সকলক কুটীৰ শিল্প কৰাৰ কথা কলে আৰু চৰকাৰে টকা দিব বুলি কলে। ডেকা যুৱকসকলে Huller, চাইকেল আদিৰে কাম আৰম্ভ কৰিলে। যেতিয়া বেঙ্কৰ ওচৰলৈ টকা বিচাৰি যায় তেতিয়া বেঙ্কত টাউনৰ ১০ মাইল দূৰৰ বাহিৰত টকা দিব নোৱাৰে। গতিকে ২৮। ৩০ মাইল দূৰৰ ডেকা সকল বঞ্চিত হব লগা হল। বেঙ্কৰ সুবিধা মুষ্টিমেয় কেইজন মান মানুহে পাইছে। ১০ মাইলৰ বাহিৰত থকা বিলাকে পইচা পোৱা নাই। গতিকে বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ জনাব্দো ১০ মাইলৰ বাহিৰত কিয় টকা দিয়া নাই তাৰ খবৰ লব লাগে। এতিয়া দেখা গৈছে ১০ মাইলৰ বাহিৰত যিমান বিলাক নিবনুৱা যুবক আছে তেওঁলোক গাওঁৰ পৰা টাউনলৈ যাব লাগিব নতুবা ১০ মাইলৰ ভিতৰত সোমাই লবলাগিব গতিকে এই বিষয়ে বিত্তমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

তাৰ পিচত মই স্বাস্থ্য বিভাগৰ কথা কব বিচাৰিছো। স্বাস্থ্য বিভাগে কেৱল ডাক্তৰখানা, মেডিকেল কলেজ আদিৰ কথাহে ভাবিছে। কিন্তু আমাৰ মিকিৰ পাহৰ অৰু কুঠৰিত মই দেখিছো কুষ্ঠৰোগীৰ সংখ্যা বেছি। কুঠৰিৰ এখন গাৱঁত ৪০/৫০ ভাগ মানুহ কুষ্ঠৰোগী। তেওঁলোকৰ চিকিৎসাৰ কোনো ব্যৱস্থা নাই। তেওঁলোকৰ কপালত যি আছে সেয়ে হব চৰকাৰৰ কোনো দায়িত্ব নাই। বৰ্তমান কুষ্ঠৰোগ চিকিৎসাৰ আয়ত্বাধীন অথচ চিকিৎসা কৰাৰ ব্যৱস্থা কৰা নাই। আমাৰ মানুহে অসম সেৱা সমিতি, শঙ্কৰ মিচন আদিত কুষ্ঠ ৰোগ চিকিৎসা কৰিবৰ কাৰণে যায় তাত বহু মাচুল ভৰিবলগা হয়। কুষ্ঠ ৰোগীৰ কাৰণে সেৱা সমিতি কেন্দ্ৰৰ সভাপতিয়ে চাউল নি থওৱা শুনিবলৈ পাইছো। কুষ্ঠৰোগীক আমাৰ সমাজৰ পৰা বাহিৰ কৰি ৰখা হয়, লৰা ছোৱালীক অহা যোৱা কৰিব নিদিয়ে। মিকিৰ পাহাৰ জিলাত অতিপাত এই বেমাৰ হৈছে। দক-মকা অঞ্চলত এনেৰোগীৰ তেজেৰে ৰাঙলী হৈ থাকে। ঠিক সেইদৰে বকো, ৰংজুলী আদি ঠাইতো কুষ্ঠ ৰোগৰ চিকিৎসাৰ কোনো ব্যৱস্থা নাই। এই বিষয়ে বিত্তমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো যাতে এই বেমাৰ চিকিৎসা কৰাত গুৰুত্ব আৰোপ কৰি,

িহীত ব্যৱস্থা লয়। তাৰ পিচত পিচপৰা অঞ্চলৰ লোকক টকা পইচা দিয়া সংক্ৰান্তত Revenue Minister এ যোৱাবাৰ পুনৰ সংস্থাপনৰ বাবে Rehabilation grant দিয়াৰ কথা কোৱা মনত আছে। কিন্তু পিচপৰা অঞ্চলৰ মানুহে সেই মঞ্জুৰী পোৱা নাই। সেইটকা বোধকৰো Surrendar হৈছে। হাইস্কুল, মাইনৰ স্কুল বোৰত Lum Sum grant টো কি ভিত্তিত দিয়া হৈছে কব নোৱাৰো। কিছুমানে ১৮ শ টকা পাইছিল, পিচত চিলঙলৈ মাহি D. P I. অফিচত ধৰি ১৮ শৰ ঠাইত ৪২ শ কৰিছে। কিন্তু যোৱা যছৰ মৰিগাওঁ ছোৱালী হাইস্কুলে ৪ শ টকা পাইছিল কিন্তু এইবাৰ তিনিশহে পাইছে।

এতিয়া মই দুৰ্ঘটনাৰ কথা কওঁ। আমি ইফালে সিফালে গলে দেখিবলৈ পাওঁ যে গাড়ী বিলাক ওপৰলৈ চকা উঠাই পৰি থাকে। কিন্তু পুলিচে এই বিলাকৰ মনোযোগ নিদিয়ে। ইফালে আকৌ চৰকাৰে পুলিচৰ সংখ্যা বঢ়ায়েই আছে। এইবাৰ বোলে S.I. of Police ৬৫ জন আৰু A.S.I. ১৪২ জন বঢ়াইছে। সিদিনা মই সেনচোৱাৰ পৰা আহোতে এটা দুৰ্ঘটনা দেখিলো যে এখন গাড়ী পৰি আছে আৰু তাৰ তলত সোমাই মানুহ বিলাক উলাব নোৱাৰি চিঞৰি আছে। তাৰ ভিতৰত তিকতা মানুহো আছে। তেতিয়া আমি সেই গাড়ী খন কোনো ৰকমে পোন কৰি দিয়াত মানুহখিনি উলাব পাৰিছে। এই বিলাক ক্ষেত্ৰত পুলিচে বিশেষ ভাবে নজৰ ৰাখিব লাগে। এই ধৰণৰ দুৰ্ঘটনা যাতে ভৱিষ্যতে নহয় তাৰ কাৰণে পুলিচে চোকা নজৰ ৰাখিব লাগে। এয়াকে কৈ মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

M. Shamsul Huda : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই এই সদনত যি বাজেট ডাঙি ধৰিছে তাৰ ওপৰত মই দুই এটা মন্তব্য কৰিব খুজিছো। বিত্তমন্ত্ৰী ডাঙৰীয়াই যেতিয়াই বক্তৃতা দিয়ে তেতিয়াই সমাজবাদৰ কথা কয়। কিন্তু আমি দেখিছো এফালৰ পৰা চাবলৈ গলে ভাৰতবৰ্ষৰ শাসন ক্ষমতা যাৰ হাতত আছে তেওঁলোক বুর্জুৱা শ্ৰেণীৰ; তেওঁলোকৰ মুখত কেনেকৈ সমাজবাদৰ কথা ওলাই ভাবিলে আচৰিত লাগে। আৰ্থিক ক্ষেত্ৰত সাধাৰণ ৰাইজৰ অৱস্থা বিশ্লেষণ কৰিলে এনে যেন লাগে যে আমাৰ চৰকাৰৰ Socialism মানে "চুচি মাজি লৈ যোৱা" চৰকাৰে যি টকা ৰাজহ ৰূপে শিতানত পাইছে সেই টকা ৰাইজৰ পৰা চুচি মাজি লৈ যোৱা টকা। Socialism কৰিবলৈ হলে নিবনুৱাৰ সমস্যাৰ সমাধান, ৰাজ্যখনৰ শিল্পায়ণ আৰু শ্ৰমিক,

খেতিয়ক সকলৰ অৱস্থাৰ কথা চিন্তা কৰিব লাগিব। কিন্তু আমাৰ দেশত দেখা যায় উৎপাদন ক্ষেত্ৰত কল কাৰখানাত কোটি কোটি শ্ৰমিকে গোলামি কৰিছে। আমাৰ ডাঙৰ ডাঙৰ নেতাসকলে কল কাৰখানাত গোলামী কৰিবলৈ যোৱা নাই। আকৌ মাটিৰ বুকু ফালি খেতিয়ক সকলে উৎপাদন কৰিছে কিন্তু দুয়ো ক্ষেত্ৰতে ইয়াৰ Essence ভোগ কৰিছে মুষ্টিমেয় কেইজনমান পুজি পতি আৰু মিল মালিকসকলে। শ্ৰমিক, কৃষক বা গৰীব জনসাধাৰণৰ মঙ্গলৰ কাৰণে চৰকাৰ শোষণৰ বাহিৰে একো উপকাৰ কৰিব পৰা নাই। বিৰলা টাটাৰ যাৰ ভাৰত স্বাধীনতাৰ সময়ত মূলধন আছিল ৩৫ কোটি এতিয়া সেয়ে গৈ ২৪ বছৰৰ ভিতৰত ৫৪৮ কোটি। এই বৰ্দ্ধিত পৰিমাণৰ টকা ৰাইজক শোষণ কৰি আদায় কৰিছে। আমাৰ দেশত সমাজবাদী সমাজ ব্যৱস্থাৰ কাম লোৱা হৈছে সঁচা কিন্তু তাৰ উদ্দেশ্য কাৰ্য্যকৰী কৰিব পৰা নাই। ভূমিহীন কৃষক সকলৰ ভূমিসমস্যা, নিবনুৱাৰ সংস্থান ব্যৱস্থা আৰু ৰাজ্যখনত শিল্পায়ন কৰি তুলাৰ ব্যৱস্থা সম্পূৰ্ণ কৰিব পাৰিলেহে সমাজবাদত উপনিত হব পাৰিব। কিন্তু তাৰ বিনিময়ত আমি কি পাইছো ? হাৰক পানী কৰি মূৰৰ ঘাম মাটিত পেলাই দিনৰ পাচত দিনকৈ পৰিশ্ৰম কৰি হতভগা খেতিয়ক সকলে উৎপাদন কৰে তাৰ মূল্যৰ আধাও তেওঁলোকে নাপায়। ১ মোন মৰাপাট উৎপাদন কৰোতে ১২০ টকা খৰচ পৰে। কিন্তু যেতিয়া বজাৰত সেইখিনি বিক্ৰীৰ কাৰণে যোৱা যায় তেতিয়া ৬০/৭০ টকাকৈয়ো মোন প্ৰতি নাপায়। আৰু তাৰ ঠাইত ৩০/৪০ টকাত বিক্ৰী কৰিবলগীয়া হয়। কংগ্ৰেছ চৰকাৰও কিছুমান কৰ্ম্মচাৰী বিশেষজ্ঞ বুলি নিজকে কৈ কয় যে ১ মোণ মৰাপাট উৎপাদন কৰোতে ১২০ টকা নপৰে। এইটো বৰ দুখৰ কথা আৰু তেওঁলোকক মই Challange কৰিব পাৰো। আজি সৰিয়হৰ দাম কিমান? কিন্তু আমি মিঠাতেল প্ৰতি লিটাৰত ৭ টকাকৈ কিনি খাইছো। কৃষকৰ উৎপাদিত কেচা সামগ্ৰীৰ দাম বজাৰত প্ৰকৃত মূল্যৰ আধামান হাতে সেই শিলাকৰ পৰা কৰা Finished goods ৰ দাম ২/৩ গুণে বেচি। কেচা সামগ্ৰী পুঁজিপতিসকলে কম দামত কৃষকৰ পৰা কিনে আৰু সেই কৃষকেই মিল মালিক বা পুজিপতিসকলে Finished goods দি তেওঁলোকৰ পৰা ৩/৪ গুণে অধিক দাম লয়। এই দৰেই কৃষক সকলৰ পৰা এহাতে কিনি আৰু আনহাতে তেওঁ লোককেই বিক্ৰী কৰি তেওঁলোকক শোষণ কৰিছে। আৰু এই শোষণকাৰী সকলৰ ৰক্ষা কবচ হিচাপে এই বাজেট তৈয়াৰ কৰিছে। আৰু কৈছে সমাজবাদৰ কথা। সমগ্ৰ ভাৰতৰ কথা মই নকওঁ অসমতেই

১৩ লাখ শিক্ষিত নিবনুৱা আছে। তাৰ ১/২ অংশ নিবনুৱাৰ কৰ্ম্মসংস্থান চৰকাৰে দিব পৰা নাই। বেকাৰ সকলক বেকাৰ ভাট্টা দিব পৰা নাই। গতিকে সমাজবাদ কৰিবলৈ হলে ৰাজহুৱা খণ্ডত আমাৰ ৰাজ্যখনত শিল্পায়ন কৰিব লাগিব। কৃষিত Machanised cultivation ব্যাপকভাবে কৰিব লাগিব। অসমৰ পঞ্চায়ত বিভাগৰ Block ত ১/২ টা টেক্টৰ ৰাখিছে সঁচা; কিন্তু সেই কম পৰিমাণৰ টেক্টৰে ব্যাপকভাবে Machanised cultivation কৰিব পৰাটো সম্ভৱ নহয়। আৰু এই বিলাকৰ সৰহ ভাগৰেই অৱস্থা অচল।

উদ্যোগৰ ক্ষেত্ৰত অসমৰ ১২ কোটি ৰাইজে গণ আন্দালন কৰি তেল শোধনাগাৰ অসমলৈ আনিলে। আকৌ এতিয়া ২য় তেল শোধনাগাৰৰ কাৰণে মানুহে আন্দোলন কৰিবলগীয়া হৈছিল। প্ৰথম তেল শোধনাগাৰটোৰ Capacity বৰ কম। আৰু তাৰ দ্বাৰাই অসমৰ চাহিদা পূৰণ হোৱা নাই। এইটো এটা মাত্ৰ ভুৱা শোধনাগাৰ। যত এটা পূৰ্ণপয্যায়ৰ তেল শোধনাগৰত ২০ লাখ টন শোধন কৰাৰ কথা আছিল তাত মাত্ৰ ১ লাখ টন শোধন কৰাৰ ব্যৱস্থাহে কৰিলে আৰু ২য় তেল শোধনাগাৰটো উজনী অসমত নাপাতি বঙ্গাইগাৱত পতাটো কিমান যুক্তি সংগত হৈছে কব নোৱাৰো। উজনী অসমত পতা হলে গুৱাহাটীৰ পৰা গোটেই লাইনটো ব্ৰডগজ হলহেতেন ব্ৰহ্মপুত্ৰৰ উপৰত আৰু দলং হলহেতেন·····

Mr. Deputy Speaker --আপুনি পাঁচ মিনিটত শেষ কৰিব পাৰিবনে?

M. Shamsul Huda : ৫ মিনিটত নহব।

Mr. Deputy Speaker : The House stands adjourned till 10 A. M. tomorrow.

Mr. Huda will speak on the 7th.

**Adjournment**

The Assembly then adjourned till 10 A. M. on Tuesday, the 6th April 1971.

Shillong.
The 5th April 1971

U. Tahbildar,
Secretary,
Legislative Assembly, Assam